Content includes AI-generated material

**মাজনিশা ৰাজ্য কঁপালে ভূমিকম্পই**

ই-সংবাদ, ২৪ জানুৱাৰীঃ যোৱা নিশা প্ৰায় ১২.৫৫ বজাত অসমসহ উত্তৰ-পূবৰ মাটিক এক ৩ পৃষ্ঠাত

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, JANUARY 25, 2025 ■ শনিবাৰ, ১১ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২৯ Guwahati, Assam ।। মূল্যঃ এটকা

### ঘটনাক গাপ দিয়াৰ চেষ্টা কৰ্তৃপক্ষৰ, ওলোটাই সংবাদ মাধ্যমলৈ ঠেলিলে দোষ

# জিএমচিএইচত কিশোৰী ৰোগীক চাফাই কৰ্মীৰ নিৰ্যাতন!

**ই-সংবাদ, ২৪ জানুৱাৰীঃ** গুৱাহাটী মহানগৰীৰ মাজ-মজিয়াৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ৰোগীৰ সুৰক্ষাক লৈ উত্থাপন হৈছে বৃহৎ প্ৰশ্ন। চিকিৎসা মহাবিদ্যালয়খনত চিকিৎসাধীন ১৩ বছৰীয়া কিশোৰী এগৰাকীক ধৰ্ষণৰ অভিযোগে এতিয়া সৰ্বত্ৰে সৃষ্টি কৰিছে তীব্ৰ চাঞ্চল্যৰ। চিকিৎসালয়খনত কৰ্মৰত আব্দুল ৰশ্বিদ নামৰ চাফাই কৰ্মীৰ বিৰুদ্ধে ১৩ বছৰীয়া কিশোৰীক ধৰ্ষণৰ অভিযোগ উত্থাপন হৈছে। ৬ দিন পূৰ্বে ঘটনাক হাস্পতাল কৰ্তৃপক্ষই গাপ দিছিল যদিও আজি 'দ্য ক্ৰছকাৰেণ্ট' নামৰ ডিজিটেল সংবাদ শেষাংশ ৫ পৃষ্ঠাত

**অভিযুক্ত আব্দুল ৰশ্বিদক চাকৰিৰ পৰা বৰখাস্ত, ন্যায়িক জিম্মালৈ ২ অভিযুক্ত**



### প্ৰাণৱন্ত জখলাবন্ধা চহৰৰ প্ৰাণ কাঢ়ি নিয়াৰ ষড়যন্ত্ৰ

# ৰিণিকি, পীয়ুষ-কেশৱৰ বাবে ঘাইপথৰ দিশ সলনি!

## মুখ্যমন্ত্ৰীক স্থিতি স্পষ্ট কৰিবলৈ দাবী জগদীশ ভূঞাৰ



**ই-সংবাদ বিশেষ, ২৪ জানুৱাৰীঃ** মধ্য অসমৰ পৰা উজনি অসমক সংযোগ কৰা ৰাষ্ট্ৰীয় ঘাইপথৰ কলিয়াবৰৰ পৰা নুমলীগড়লৈ প্ৰস্তাৱিত চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণক লৈ আৰম্ভ হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। ৩ পৃষ্ঠাত চাওক



গণৰাজ্য দিৱসৰ প্ৰস্তুতি, কোকৰাঝাৰত শুকুৰবাৰে

## ২৬ জানুৱাৰীত বন্ধ ঘোষণা নিষিদ্ধ আলফা স্বাধীনৰ

**ই-সংবাদ, ২৪ জানুৱাৰীঃ** আকৌ এবাৰ গণৰাজ্য দিৱস বৰ্জনৰ ঘোষণা কৰিছে নিষিদ্ধ ঘোষিত সংযুক্ত মুক্তি বাহিনী স্বাধীনে। এক বিবৃতি শেষাংশ ২ পৃষ্ঠাত

## ৱাকফ ব'ৰ্ডক লৈ যুটীয়া সংসদীয় কমিটিৰ বৈঠকত উত্তপ্ত পৰিস্থিতি, বিৰোধী খৰ্গহস্ত

**মুম্বাই, ২৪ জানুৱাৰীঃ** ৱাকফ ব'ৰ্ডক লৈ যুটীয়া সংসদীয় সমিতিৰ বৈঠকত শুকুৰবাৰে সৃষ্টি হয় তীব্ৰ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ। বৈঠকত শাসক আৰু বিৰোধী দলৰ সাংসদৰ মাজত হোৱা বাদানুবাদৰ পিছতে সংসদ চৌহদৰ পৰা ৱাকআউট কৰে বিৰোধীয়ে। শেষাংশ ৪ পৃষ্ঠাত

## দুৰ্নীতিৰ শিপাসহ হিমন্ত চৰকাৰক ৰাইজে ব্ৰহ্মপুত্ৰলৈ দলিয়াব

### সংবিধান ৰক্ষা যাত্ৰাত ক'লে ভূপেন বৰাই

**গুৱাহাটী, ২৪ জানুৱাৰীঃ** ভাৰতীয় সংবিধান সলনি কৰাৰ চক্ৰান্ত ৰোধ কৰিবৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছে আজিৰে পৰা এবছৰলৈকে ৰাইজক সজাগ কৰিবলৈ অভিযান চলাব। বিজেপিয়ে ভাৰতীয় সংবিধানৰ ৪ পৃষ্ঠাত চাওক



### নাগৰিকত্বৰ অধিকাৰ

## আদালতত ট্ৰাম্পৰ পৰাজয়!

**নিউয়ৰ্ক, ২৪ জানুৱাৰীঃ** ক্ষমতালৈ প্ৰত্যাৱৰ্তন কৰিয়েই জন্মগত অধিকাৰৰ নাগৰিকত্বৰ অন্ত পেলোৱাৰ সিদ্ধান্ত লৈছিল আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে। কিন্তু এতিয়া আদালতত মুখথেকেচা খাবলগীয়া হ'ল ট্ৰাম্প। শেষাংশ ২ পৃষ্ঠাত

## ৰাজীৱ শদিয়াৰ স্মৃতি ৰক্ষাৰ ভূমিক লৈ হেতালি নেখেলিবলৈ সকীয়ালে আলফা স্বাধীনে

### অমিত ঝা, আনন্দ ৰাচিৱাচিয়াক ধমক, কঠোৰ ব্যৱস্থাৰ হুংকাৰ

**ই-সংবাদ, ২৪ জানুৱাৰীঃ** গণশিল্পী ৰাজীৱ শদিয়াৰ স্মৃতি ৰক্ষাৰ বাবে এড়োখৰ মাটি পৰিয়ালক দান দিছিল তিনিচুকীয়াৰ গেলাপুখুৰীৰ মনোজ চুতীয়াই। প্ৰয়াত ৰাজীৱ শদিয়াৰ পৰিয়ালক দান দিয়া সেই মাটিডোখৰৰ নথি জালিয়াতি কৰি বেংকৰ পৰিচালক এজনে আৰু সহযোগীয়ে ৫০ লাখ টকা ঋণ লোৱাৰ অভিযোগক লৈ তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। সেই ভূমি পঞ্জাৰ নেচনেল ৫ পৃষ্ঠাত চাওক

## স্বস্তি! আমূলে এটকাকৈ কমালে গাখীৰৰ মূল্য

**ই-সংবাদ, ২৪ জানুৱাৰীঃ** অত্যাৱশ্যকীয় সামগ্ৰীৰ আকাশলংঘী মূল্যৰ মাজতে মধ্যবিত্ত শ্ৰেণীক সকাহ দিছে দেশৰ প্ৰখ্যাত দুগ্ধ কোম্পানী আমূলে। সংস্থাটোৱে তিনি প্ৰকাৰৰ গাখীৰৰ মূল্য শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ২৬ জানুৱাৰীত বন্ধ ঘোষণা

যোগে ২৬ জানুৱাৰীৰ নিশা ১ বজাৰ পৰা ৬ বজালৈকে সৰ্বাত্মক বন্ধ ঘোষণা কৰিছে। এক বিবৃতি যোগে নিষিদ্ধ ঘোষিত সংগঠনটোৱে প্ৰতি বছৰে ঔপনিৱেশিক ভাৰতৰ ভুৱা 'গণতন্ত্ৰ দিৱস' পালনত আমি বিৰোধিতা কৰি আহিছো বুলি কয়। অসম, নাগালেণ্ড আৰু অৰুণাচলত আমাৰ প্ৰতিবাদী কাৰ্যসূচীৰ অন্যতম হ'ব ২৬ জানুৱাৰীৰ নিশা ১ বজাৰ পৰা আবেলি ৬ বজালৈকে সৰ্বাত্মক বন্ধ। একেটা বিবৃতিত ৰাইজক বিশেষ আহ্বান জনাই আলফা স্বাধীনে সমূহ ৰাজনৈতিক-অৰাজনৈতিক, জাতীয় দল-সংগঠন তথা মুক্তিকামী জনগণক ভুৱা 'গণতন্ত্ৰ দিৱস' সম্পূৰ্ণৰূপে বৰ্জন কৰাৰ লগতে বন্ধৰ কালছোৱাত সকলো অনুষ্ঠান-প্ৰতিষ্ঠান আদিত জনসমাগম পৰিহাৰ কৰিবলৈ আহ্বান জনাই। অৱশ্যে, বন্ধৰ সময়ত স্বাস্থ্য সেৱাৰ দৰে অত্যাৱশ্যকীয় জৰুৰীকালীন সেৱাসমূহৰ উপৰি সংবাদ মাধ্যমৰ কাম-কাজ অব্যাহত ৰখাত কোনো বাধা নিষেধ নাথাকিব। একেটা বিবৃতিত আলফা স্বাধীনে এছিয়া অঞ্চল কৃত্ৰিম ভাৰতৰ অবিচ্ছেদ্য অংগ নাছিল বুলি দাবী কৰি কয় যে প্ৰাকৃতিক ৰূপ-সৌন্দৰ্য আৰু সম্পদৰে প্ৰাচুৰ্যময় অসম-নাগালেণ্ডকে ধৰি সমগ্ৰ পশ্চিমা দক্ষিণ-পূৱ এছিয়া অঞ্চল কৃত্ৰিম ভাৰতৰ অবিচ্ছেদ্য অংগ বুলি কৰি অহা ভিত্তিহীন দাবী আভুৱা ভাঁৱা, অনৈতিহাসিক আৰু সমূলি অযুক্তিকৰ। বুৰঞ্জীয়ে ঢুকি পোৱা দিনৰে পৰা এই অঞ্চলৰ স্বাধীনমনা থলগিৰি জাতিসমূহে ভৌগোলিক তথা আৰ্থ-ৰাজনৈতিক, সামাজিক-সাংস্কৃতিকভাৱে স্বকীয় পৰিচয় অক্ষুণ্ণ ৰাখি মৰ্যাদা সহকাৰে জীৱন নিৰ্বাহ কৰিছিল। সৰ্বজনবিদিত যে, ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত বৃটিছ আৰু ব্ৰহ্মদেশৰ মাজত হোৱা 'ইয়াণ্ডাবু সন্ধি'ৰ গইনা লৈ ঐতিহ্যমণ্ডিত অসমৰ 'স্বাধীনতা'ৰ বেলি মাৰ গৈছিল। যদিও তাৰ ঠিক পিছতে স্বাধীনচেতীয়া জাতি-জনগোষ্ঠীসমূহে হেৰুৱা স্বাধীনতা পুনৰুদ্ধাৰৰ হকে মৰণপণ দি সংগ্ৰামত ব্ৰতী হৈছিল। পৰৱৰ্তী সময়ত তদানীন্তন ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ কাণ্ডাৰীসকলে অসমক স্বাধীনতা প্ৰদানৰ লোভ দেখুওৱাত, উমৈহতীয়া শত্ৰু বৃটিছৰ বিৰুদ্ধে একেত্ৰে যুঁজি ১৯৪৭ চনত তথাকথিত স্বাধীনতা অৰ্জন কৰিলে। কিন্তু ভাৰতীয় শাসকবৰ্গই কৰা বিশ্বাসঘাতকতা তথা অসমৰ একাংশ অদূৰদৰ্শী ৰাজনৈতিক নেতাৰ দুৰ্বলতাৰ বাবে ছলে বলে কৌশলে এই ভূ-খণ্ডক কৃত্ৰিম ভাৰতৰাষ্ট্ৰৰ মানচিত্ৰৰ অন্তৰ্ভুক্তিৰে আজি পৰ্যন্ত দখলদাৰীত্ব অব্যাহত ৰাখিছে। দক্ষিণ-পূৱ এছিয়া অঞ্চলত ৰাষ্ট্ৰসন্ত্ৰাস চলোৱাৰ অভিযোগ উত্থাপন কৰি নিষিদ্ধ ঘোষিত সংগঠনটোৱে কয় যে ঔপনিৱেশিক ভাৰতৰাষ্ট্ৰই 'সান্দহ খোৱা বালি তল যোৱা'ৰ ভয়ত ৰাজনৈতিক দুৰভিসন্ধিৰে থলগিৰি জাতিসমূহৰ মৰ্যাদাপূৰ্ণ জীৱন নিৰ্বাহ তথা সুৰক্ষাৰ মৌলিক উপাদান 'স্বাধীনতা'ক খৰ্ব কৰি ১৯৫০ চনৰ ২৬ জানুৱাৰী তাৰিখৰ পৰাই সংবিধান কাৰ্যকৰী কৰিছিল। যাতে পশ্চিমা দক্ষিণ-পূৱ এছিয়া অঞ্চলক আইন-শৃংখলা ৰক্ষাৰ অজুহাতত ৰাষ্ট্ৰসন্ত্ৰাস চলাই মূলসুঁতিৰ ভাৰতীয় নাগৰিক হিচাপে বলপূৰ্বক সেও মনাব পাৰে। আনকি, বুৰঞ্জীপ্ৰসিদ্ধ জাতি-জনগোষ্ঠী সমূহে চিৰকাল পৰাধীনতাৰ পৰা মুক্ত হ'ব নোৱাৰাৰ বন্দৱস্ত ঔপনিৱেশিক সংবিধানৰ জৰিয়তে কৰিছিল। দৰাচলতে ভাৰতে আন্তৰ্জাতিক নীতি-নিয়ম নতুবা মানৱ অধিকাৰৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি বেপৰোৱাভাৱে চলাই থকা ৰাষ্ট্ৰসন্ত্ৰাসৰ বোকোচাত উঠি ক্ৰমবৰ্ধমান ভাৰতীয় আগ্ৰাসন আৰু সম্প্ৰসাৰণবাদী চৰিত্ৰই কেউফালে ছানি ধৰি সমাজ জীৱনৰ মনস্তত্বত প্ৰভাৱ বিস্তাৰ কৰিছে। ফলস্বৰূপে আজি সাতামপুৰুষীয়া ঐতিহ্য-সংস্কৃতি অৱক্ষয়ৰ গৰাহত। জাতিৰ অস্তিত্ব সংকটত। অসম-নাগালেণ্ড তথা পশ্চিমা দক্ষিণ-পূৱ এছিয়া অঞ্চলৰ নজহা-নপমা থলগিৰিয়ে বৈৰীৰাষ্ট্ৰৰ অন্যায় আৰু অনৈতিহাসিক কৰ্তৃত্ব কেতিয়াও মানি লোৱা নাছিল, ভৱিষ্যতেও মানি নলয় বুলি কৈ বিদ্ৰোহী সংগঠনটোৱে কয় যে এখন প্ৰকৃত গণতান্ত্ৰিক দেশৰ সাৰ্বভৌম কৰ্তৃত্বৰ অধিকাৰী হ'ল সেই দেশৰ জনতা। সঁচা অৰ্থত শাসকবৰ্গ জনতাৰ সেৱকহে। যি সত্য মহাত্মা গান্ধীয়ে স্বীকাৰ কৰিছিল। তাৰ বিপৰীতে অধিকাৰী হিচাপে বলপূৰ্বক প্ৰভুত্ব সাব্যস্ত কৰি বিগত ৭৫ বছৰে ভুৱা 'গণতন্ত্ৰ দিৱস' উদ্যাপনৰ নামত থলগিৰি ন্যায়সংগত অধিকাৰ ভূ-লুণ্ঠিত কৰি আহিছে। বৃটিছৰ বিৰুদ্ধে যুঁজত যিমান সংখ্যক জনগণে প্ৰাণাহুতি দিছিল নতুবা কাৰাবাস খাটিছিল। তাতোকৈ বহুগুণে বেছি ঔপনিৱেশিক ভাৰতৰাষ্ট্ৰৰ দখলদাৰী বাহিনীৰ হাতত শিশু, যুৱক-যুৱতীৰ পৰা আবাল-বৃদ্ধ-বনিতালৈকে মুক্তিকামী জনতা হত্যা কিম্বা নিৰ্যাতিত আৰু নিগৃহীত হৈ আহিছে। এনে পৰিপ্ৰেক্ষিতত থলগিৰিৰ ন্যায্য ৰাজনৈতিক অধিকাৰ খৰ্ব কৰি কেৱল মাত্ৰ নিৰ্বাচনী জয়লাভৰ দ্বাৰা প্ৰকৃত গণতন্ত্ৰ প্ৰতিষ্ঠা হ'ব নোৱাৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নাগৰিকত্বৰ সিদ্ধান্ত, আদালতত ট্ৰাম্পৰ

ছিয়াটলৰ আমেৰিকাৰ জিলা আদালতে এই সিদ্ধান্তক সম্পূৰ্ণ অসাংবিধানিক বুলি অভিহিত কৰি স্থগিতাদেশ জাৰি কৰিছে। ন্যায়াধীশ জন ক'নাৰে স্পষ্টভাৱে কয় যে এই সিদ্ধান্ত আমেৰিকাৰ সংবিধানৰ চতুৰ্দশ সংশোধনীৰ প্ৰত্যক্ষ উলংঘা। উল্লেখ্য যে, আমেৰিকাত অবৈধ অনুপ্ৰৱেশৰ বিষয়ত গ্ৰহণ কৰা কেইবাটাও কঠোৰ ব্যৱস্থাৰ মাজত জন্মগত অধিকাৰৰ নাগৰিকত্বৰ অন্ত পেলোৱাৰ ঘোষণা কৰিছিল ট্ৰাম্পে। কিন্তু ট্ৰাম্পৰ এই সিদ্ধান্তৰ পিছতে দেশজুৰি তীব্ৰ বিতৰ্কৰ সৃষ্টি হয়। আমেৰিকাৰ ২২ খন প্ৰদেশে ইতিমধ্যে এই সিদ্ধান্তৰ বিৰোধিতা কৰি গোচৰ তৰে। কলম্বিয়া, ছান ফ্ৰান্সিস্কো, বষ্টন, ছিয়াটলকে ধৰি কেইবাখনো প্ৰদেশে ট্ৰাম্পৰ এই নিৰ্দেশৰ বিৰুদ্ধে মাত মাতিছে। বৃহস্পতিবাৰে ছিয়াটলৰ আদালতত অনুষ্ঠিত শুনানিৰ সময়ত ন্যায়াধীশগৰাকীয়ে স্পষ্ট কৰি দিয়ে যে সংবিধান অনুসৰি আমেৰিকাৰ মাটিত জন্ম হ'লে নাগৰিকত্ব প্ৰদান কৰা হয়। কিন্তু ৰাষ্ট্ৰপতি ট্ৰাম্পৰ এই নিৰ্দেশে এই সংবিধানৰ মৌলিক ধাৰণাটোৰ বিৰোধিতা কৰিছে। ন্যায়াধীশগৰাকীৰ মন্তব্যৰ পিছতে ট্ৰাম্পৰ সিদ্ধান্ত কাৰ্যকৰীভাৱে বাধাপ্ৰাপ্ত হয়। ন্যায়াধীশ জন ক'নাৰে কয় যে দেশৰ মৌলিক সাংবিধানিক নীতিৰ ভিতৰত পৰে সংবিধানৰ চতুৰ্দশ সংশোধনীৰ জৰিয়তে জন্মৰ সময়ত নাগৰিকত্বৰ অধিকাৰ প্ৰদান কৰা। যদিও ট্ৰাম্প প্ৰশাসনে স্পষ্টকৈ কৈছিল, এই নিৰ্দেশ এটা নিৰ্দিষ্ট সময়ৰ পিছত কাৰ্যকৰী হ'ব আৰু ইয়াৰ কোনো ক্ষতি নহ'ব। কিন্তু এই আদালতৰ ৰায়দান কাৰ্যকৰীভাৱে ট্ৰাম্পৰ এই নিৰ্দেশক অকাৰ্যকৰী কৰি তুলিছে। মন কৰিবলগীয়া যে, নিৰ্বাচনী প্ৰচাৰৰ পিছৰে পৰা অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে ডোনাল্ড ট্ৰাম্পে। তেওঁ আমেৰিকাত থকা প্ৰায় ১ কোটি ৪০ লাখ অনুপ্ৰৱেশকাৰীৰ ভিতৰত নথি-পত্ৰবিহীন অনুপ্ৰৱেশকাৰীক বিতাড়িত কৰাৰ দাবী জনায়। আনকি অনুপ্ৰৱেশকাৰী পিতৃ-মাতৃৰ অন্ততঃ এজনৰ ওচৰত যদি গ্ৰীণ কাৰ্ড নাথাকে তেন্তে তেওঁলোকৰ সন্তানকো নাগৰিকত্ব প্ৰদান কৰা নহ'ব বুলি ঘোষণা কৰে ট্ৰাম্পে। কিন্তু আদালতৰ ৰায়ৰ ফলত ট্ৰাম্পৰ পৰিকল্পনা সাময়িকভাৱে স্থবিৰ হৈ পৰে। বিশেষজ্ঞসকলৰ মতে এই ৰায়দান ট্ৰাম্প প্ৰশাসনৰ বাবে এক বৃহৎ বিপৰ্যয় হ'ব। কাৰণ তেওঁৰ প্ৰশাসনৰ সিদ্ধান্তক সংবিধান উলংঘাৰ অভিযোগক লৈ একাধিকবাৰ প্ৰশ্ন উত্থাপন হৈছে। অৱশ্যে আদালতৰ ৰায়ৰ বিৰুদ্ধে ট্ৰাম্পৰ সমৰ্থকসকলে উচ্চ ন্যায়ালয়লৈ যাব বুলি মন্তব্য কৰিছে। কিন্তু মছনদ দখলৰ ঠিক পিছতে আদালতত ট্ৰাম্পৰ এই পৰাজয়ে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# স্বস্তি! আমূলে এটকাকৈ কমালে

মূল্য হ্ৰাস কৰাৰ সিদ্ধান্ত ঘোষণা কৰিছে। আমূল গোল্ড, আমূল তাজা আৰু আমূল টি স্পেচিয়েল গাখীৰৰ দাম হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে আমূলে। এই প্ৰতিবিধ গাখীৰৰ এক লিটাৰৰ পেকেটত হ্ৰাস কৰা হৈছে এক টকাকৈ। কোম্পানীটোৱে জনোৱা মতে, এক লিটাৰ আমূল গোল্ডৰ মূল্য ৬৬ টকাৰ পৰা ৬৫ টকালৈ হ্ৰাস কৰা হৈছে। আমূল টি স্পেচিয়েলৰ নতুন মূল্য পূৰ্বৰ ৬২ টকাৰ পৰা এতিয়া ৬১ টকালৈ হ্ৰাস কৰা হৈছে। একেদৰে আমূল তাজাৰ মূল্য ৫৪ টকাৰ পৰা ৫৩ টকালৈ হ্ৰাস কৰা হৈছে। আমূলৰ এই মূল্য হ্ৰাসৰ ফলত আধা লিটাৰৰ পেকেটৰ দামও হ্ৰাস পাব। ইফালে, গাখীৰৰ দৰে অত্যাৱশ্যকীয় সামগ্ৰীৰ দাম হ্ৰাসে মধ্যবিত্ত পৰিয়ালক কিছু হ'লেও সকাহ দিয়া পৰিলক্ষিত হৈছে। কোম্পানীটোৰ পৰিচালন সঞ্চালক জয়েন মেহতাই কয় যে মূল্যবৃদ্ধিৰ এই সময়ছোৱাত গাখীৰৰ মূল্য হ্ৰাস কৰাৰ সিদ্ধান্ত ৰাজহুৱা সেৱা হিচাপে লোৱা হৈছে। উল্লেখ্য যে, শেহতীয়াকৈ খাদ্যৰ আকাশলংঘী মূল্যবৃদ্ধিয়ে মধ্যবিত্ত পৰিয়ালৰ বাবে সমস্যাৰ সৃষ্টি কৰিছে। কোম্পানীটোৱে কয় যে তেওঁলোকৰ লক্ষ্য হৈছে এই মূল্য হ্ৰাসৰ জৰিয়তে লাভৰ পৰিৱৰ্তে জনসেৱা আৰু গ্ৰাহকৰ সকাহ প্ৰদান কৰা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰিণিকি, পীয়ুষ-কেশৱৰ বাবে ঘাইপথৰ

কিয়নো চাৰিলেন যুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ প্ৰস্তাৱৰ পিছতে পথৰ দিশ সলনিৰ সৈতে মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মা নাম সাঙুৰ খাইছে। পূৰ্বে থকা পথৰ পৰিৱৰ্তে বিকল্প ঠাইৰে পথটো নিব খোজাৰ প্ৰস্তাৱে সেই এলেকাৰ পথৰ দাঁতিত ব্যৱসায় কৰা প্ৰায় ৫০ হাজাৰ লোক ক্ষতি হোৱাৰ অভিযোগে ক্ষোভিত কৰিছে ৰাইজক। ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিৰ জখলাবন্ধা এলেকাত ব্যৱসায় কৰি পৰিয়াল চলোৱা প্ৰায় ৪০ হাজাৰ লোকে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ স্বাৰ্থতে পথটোৰ দিশ সলনি কৰিব খোজাৰ ব্যাপক অভিযোগ উত্থাপন হৈছে। কেৱল যে মুখ্যমন্ত্ৰীৰ পত্নী হিমন্ত বিশ্ব শৰ্মাৰ পত্নীৰ স্বাৰ্থ জড়িত হৈ আছে তেনে নহয়, একাংশ লোকে অভিযোগ কৰা মতে সেই এলেকাত মন্ত্ৰী পীয়ুষ হাজৰিকা আৰু মন্ত্ৰী কেশৱ মহন্তৰো মাটি আছে। যাৰ বাবে পুৰণি ৰাস্তাটো সম্প্ৰসাৰণ কৰাৰ পৰিৱৰ্তে ৰিণিকি ভূঞা শৰ্মা, পীয়ুষ হাজৰিকা আৰু কেশৱ মহন্তৰ মাটি থকা এলেকাৰে পথটো নিয়া হ'ব। এই খবৰে ব্যাপক হাৰত চৰ্চা লাভ কৰাত বিৰোধী দলসমূহে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। অসম জাতীয় পৰিষদৰ কাৰ্যকৰী সভাপতি জগদীশ ভূঞাই ৪০ হাজাৰ লোকক ক্ষতি কৰি কেইজনমান ৰাজনীতিকৰ স্বাৰ্থত পথৰ দিশ সলনি কৰাত প্ৰশ্ন উত্থাপন কৰিছে। জগদীশ ভূঞাই কয় যে জাগীৰোড, জখলাবন্ধা আৰু বোকাখাতৰ জনজীৱন স্তব্ধ নহৈছিল। সেই তিনিখন চহৰৰ অন্যতম এখন প্ৰাণৱন্ত চহৰ জখলাবন্ধাৰ প্ৰাণ কাঢ়ি নিয়াৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই কিছুদিন পূৰ্বে সেই অঞ্চলত ক্ৰয় কৰা ১০৬ বিঘা মাটি ক্ৰয় কৰিছে। ব্যৱসায়িক মূল্য বৃদ্ধিৰ স্বাৰ্থত ৰাষ্ট্ৰীয় ঘাইপথটো জখলাবন্ধাৰ মাজেৰে নিনিয়াকৈ কলিয়াবৰৰ পৰা নুমলীগড়ৰ কোনোবাখিনিত লগ লগাব বিচাৰিছে। এই জখলাবন্ধাক কেন্দ্ৰ হিচাপে লৈ জীৱন আৰু জীৱিকা চলোৱা বহু মানুহ নিঠৰুৱা হ'ব। স্বতন্ত্ৰভাৱে গঢ় লোৱা অৰ্থনীতি ভাগি পৰিব। কিয় এই জনবিৰোধী কামসমূহ কৰিবলৈ লৈছে? এই অভিযোগ সমূহ সত্য নে? মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰাৰ প্ৰয়োজন আছে। যদি সত্য, কেৱল এটা পৰিয়ালৰ অৰ্থ-লালসাৰ বাবে এইদৰেই অসমৰ ঐতিহ্য, মাটি আৰু মানুহ এইদৰেই নিঃশেষ কৰি পেলাব নেকি? অসমৰ মানুহে এইসমূহ আৰু কিমান সহিব? প্ৰশ্নৰ উত্তৰ সময়ৰ হাতত এৰিলো। অভিযোগটো সত্য নে অসত্য সেইটো চৰকাৰে জনাব লাগে বুলি কয় জগদীশ ভূঞাই। উল্লেখ্য যে, পূৰ্বে মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে গুৱাহাটীৰ কেইবাটাও এলেকাত, গোলাঘাট জিলা আৰু নগাঁও জিলাৰ কলিয়াবৰত ভূমি কেলেংকাৰী কৰাৰ অভিযোগ উত্থাপন হৈছিল। এইবাৰ প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ পৰিচালন সঞ্চালক ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে পথ সম্প্ৰসাৰণৰ দিশ সলনি কৰাৰ অভিযোগ উঠিছে। কালি চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দাবী সমিতিয়ে গুৱাহাটীত সংবাদমেল আয়োজন কৰি এই গুৰুতৰ অভিযোগ উত্থাপন কৰিছিল। চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দাবী সমিতিৰ হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ চলাই থকা অধিবক্তা উপমন্যু হাজৰিকাই কলিয়াবৰ-নুমলীগড়লৈ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ সম্প্ৰসাৰণৰ দিশটো সলনি কৰাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। উচ্চ ন্যায়ালয়ত কলিয়াবৰৰ ৬৫ জনকৈ লোকে দাখিল কৰা ৩৮/২০২৪ নম্বৰৰ ৰাজহুৱা স্বাৰ্থ জড়িত লেখ আবেদনক লৈ কিছু তথ্য দাখিল কৰে। মুখ্যমন্ত্ৰীৰ পত্নীৰ মালিকনাধীন প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট লিমিটেডকে ধৰি কেইবাটাও ব্যক্তিগত প্ৰতিষ্ঠানক পক্ষ কৰিছে। অভিযোগ মতে, প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট লিমিটেডৰ কৃষিভূমিৰ মাজেৰে ৭১৫নং ৰাষ্ট্ৰীয় ঘাইপথটো সম্প্ৰসাৰণৰ ব্যৱস্থা কৰা হৈছে। ২০ জানুৱাৰীৰ শুনানিত উচ্চ ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণসহ পাঁচটা সংস্থাক জাননী জাৰি কৰি দুসপ্তাহৰ ভিতৰত স্থিতি স্পষ্ট কৰিবলৈ নিৰ্দেশনা দিয়া বুলি কয় অধিবক্তা হাজৰিকাই। প্ৰথমে কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে ৭১৫ নং ৰাষ্ট্ৰীয় ঘাইপথ কলিয়াবৰৰ পৰা জখলাবন্ধা, বোকাখাত, নুমলীগড় হৈ শিৱসাগৰৰ জাঁজীত সমাপ্ত কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু হঠাতে কলিয়াবৰৰ পৰা নুমলীগড়লৈ ঘাইপথ সম্প্ৰসাৰণৰ দিশ সলনি কৰা হয়। উপমন্যু হাজৰিকাই গুৰুতৰ অভিযোগ উত্থাপন কৰি সংবাদমেল যোগে কয় যে প্ৰস্তাৱিত বিকল্প পথটোৰ আটাইতকৈ ডাঙৰ হিতাধিকাৰী প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট লিমিটেডৰ পৰিচালন সঞ্চালক ৰিণিকা ভূঞা শৰ্মা। কিয়নো যিপিনে পথ গৈছে সেই দিশত ১০০ বিঘাতকৈ অধিক মাটি আছে তেওঁৰ। কেৱল ৰিণিকি ভূঞা শৰ্মাৰে নহয় মন্ত্ৰী পীয়ুষ হাজৰিকা আৰু কেশৱ মহন্তৰ মাটি আছে। চাৰিলেন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দাবী সমিতিয়ে যিসকল মন্ত্ৰীয়ে সেই ঠাইত মাটি ক্ৰয় কৰা ৰাখিছে সেইসকলৰ বিৰুদ্ধে তদন্ত হ'ব লাগে। কলিয়াবৰ তিনিআলিৰ পৰা আৰম্ভ কৰি দীৰ্ঘ এলেকা কৃষি পথাৰ। খেতি পথাৰ আৰু চাহ খেতি নষ্টি কৰি পথটো সম্প্ৰসাৰণ কৰিব খোজা হৈছে। কিন্তু সমগ্ৰ জখলাবন্ধা এলেকাৰ ব্যৱসায় ধ্বংস কৰিব খোজা হৈছে। পথটো খেতি পথাৰ এলেকাৰে নিলে অৰ্থনীতি থান-বান হ'ব। আৰ্থিক দুৰ্যোগৰ কবলত পৰিব প্ৰায় ৪০ হাজাৰ লোক। সেয়েহে যিসকলে তাত মাটি ক্ৰয় কৰিছে সেইসকলৰ স্বাৰ্থতে ৰাস্তাটোৰ দিশ সলনি কৰিব খোজা হৈছে। যাৰ বাবে এই সমগ্ৰ কাণ্ডৰ উচিত তদন্তৰ দাবী জনাইছে ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ দাবী সমিতিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজনিশা ৰাজ্য কঁপালে ভূমিকম্পই

ভূমিকম্পই জোকাৰি যায়। ভূমিকম্পটোৰ তীব্ৰতা আছিল ৰিখটাৰ স্কেলত ৫.১। ভূমিকম্পৰ কেন্দ্ৰস্থল আছিল চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰৰ হোমালিন চহৰ, যি মণিপুৰৰ ৰাংজিং চহৰৰ পৰা প্ৰায় ১০৬ কিলোমিটাৰ দূৰত্বত অৱস্থিত। অসমৰ গুৱাহাটী মহানগৰীত অট্টালিকাসমূহত বাস কৰা লোকসকলৰ মাজত ভূমিকম্পৰ জোকাৰণিৰ ফলত গভীৰ আতংকৰ সৃষ্টি হয়। মাত্ৰ কেইছেকেণ্ডৰ বাবে জোকাৰণি অনুভূত হোৱা স্বত্বেও লোকসকল অস্থায়ীভাৱে ঘৰৰ পৰা ওলাই আহিবলৈ বাধ্য হয়। উত্তৰ-পূৰৰ মণিপুৰ, মিজোৰাম, নাগালেণ্ড আদিৰ লগতে বাংলাদেশতো ভূমিকম্পৰ প্ৰভাৱ স্পষ্টভাৱে অনুভূত হয়। ভূমিকম্পৰ ফলত বৰ্তমানলৈকে কোনো ধৰণৰ ধন-জনৰ ক্ষয়-ক্ষতিৰ খবৰ পোৱা হোৱা নাই। অৱশ্যে, বিগত কিছুদিনত উত্তৰ-পূৰত সঘন ভূমিকম্প হোৱা পৰিলক্ষিত হৈছে, যি অঞ্চলবাসীৰ মাজত গভীৰ চিন্তাৰ কাৰণ হৈ পৰিছে। প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি সজাগতা আৰু সুৰক্ষাৰ বাবে বিশেষজ্ঞসকলে আগতীয়াকৈ প্ৰস্তুত থকাৰ আহ্বান জনাইছে। ভূমিকম্পৰ ধাৰাবাহিকতাৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় ভূ-তাত্ত্বিক সংস্থাসমূহে পৰিস্থিতিৰ ওপৰত গভীৰ নজৰ ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দুৰ্নীতিৰ শিপাসহ হিমন্ত চৰকাৰক

পৰিৱৰ্তে পুনৰ মনুস্মৃতি দেশত প্ৰচলন কৰিব খোজে। ইয়াৰ বিৰুদ্ধে সমগ্ৰ দেশত জাগৰণ সৃষ্টি কৰা হ'ব। কংগ্ৰেছ নেতা চিডব্লিউচিৰ সদস্য তথা অনুসূচিত জাতি, অন্যান্য পিছপৰা শ্ৰেণী আৰু সংখ্যালঘু বিভাগৰ কংগ্ৰেছৰ কেন্দ্ৰীয় অধ্যক্ষ কে ৰাজুৱে আজি গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰত এক সংবাদমেলত এইদৰে কয়। কংগ্ৰেছ নেতাজনে কয় যে দেশৰ সংবিধান সলনি কৰিবলৈ আৰএছএছ আৰু বিজেপিয়ে দীৰ্ঘদিনৰ পৰা প্ৰচেষ্টা চলাই আছিল আৰু সংবিধান গ্ৰহণ কৰা দিনটোত ১৯৫০ চনৰ ২৬ জানুৱাৰীত আৰএছএছে সংবিধানৰ প্ৰতিলিপি দাহ কৰিছিল। বিজেপিয়ে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিলে সংবিধানক নস্যাৎ কৰিবৰ বাবে চলোৱা অপচেষ্টা দেশৰ জনগণে এইবাৰ ধূলিস্যাৎ কৰিছে। বিজেপি আৰু আৰএছএছৰ সংবিধান বদলিৰ এই দীৰ্ঘদিনীয়া অভিযান নোহোৱা কৰিবৰ বাবে কংগ্ৰেছে আজিৰে পৰা এবছৰলৈকে ৰাইজৰ ওচৰলৈ সংবিধান সুৰক্ষাৰ বাণী লৈ যাব। কংগ্ৰেছ নেতাজনে এই বক্তব্যৰে সংবাদমেল সম্বোধন কৰাৰ পূৰ্বে শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত অনুসূচিত বিভাগৰ এক বিশাল প্ৰতিনিধিমূলক সভাত বাবা ভীমৰাও আম্বেদকাৰে সংবিধান প্ৰস্তুত কৰি বিশ্বৰ ভিতৰতে ভাৰতক এখন সকলো শ্ৰেণীৰ নাগৰিকৰ সমঅধিকাৰ থকা দেশলৈ পৰিৱৰ্তন কৰিছিল। ১৯২৭ চনতে ভীমৰাও আম্বেদকাৰে মনুস্মৃতি দাহ কৰি ইয়াৰ প্ৰতিবাদ কৰিছিল। তেতিয়াৰে পৰা দেশৰ ব্ৰাহ্মণ্যবাদী চেতনাত আঘাত হনাৰ বাবে সকলো শ্ৰেণীৰ নাগৰিকৰ সমবিকাশ আৰু সম ন্যায়ৰ সংগ্ৰাম চলোৱা ভীমৰাও আম্বেদকাৰৰ বিৰোধিতা কৰি আহিছে আৰএছএছে। কংগ্ৰেছে ভীমৰাও আম্বেদকাৰৰ সংগ্ৰামক সন্মান কৰি তেখেতৰ নেতৃত্বত দেশৰ বাবে সমন্যায় আৰু সমবিকাশৰ ভাৰতীয় সংবিধান গ্ৰহণ কৰে। এই সংবিধান থকালৈকে দেশৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সুৰক্ষা নিশ্চিত বুলি কংগ্ৰেছ নেতা কে ৰাজুৱে উল্লেখ কৰে। তেখেতে অ'বিচি অৰ্থাৎ অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ সুৰক্ষাৰ বাবে মণ্ডল আয়োগৰ পূৰ্বে কি কি পদক্ষেপ গ্ৰহণ কৰিছিল সেই কথা বিস্তৃতভাৱে উল্লেখ কৰে। পিছপৰা শ্ৰেণীৰ লোকসকলৰ অৰ্থনৈতিক বিকাশ আৰু জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ বাবে দেশৰ নেতা ৰাহুল গান্ধীয়ে সদনৰ বাহিৰে-ভিতৰে যুঁজ অব্যাহত ৰাখিছে। তাৰে অংশ হিচাপে সংবিধান সুৰক্ষা কৰাতো ভাৰতীয় নাগৰিকৰ এতিয়া দায়িত্ব হৈ পৰিছে। সংবাদমেলত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সম্পাদক মনোজ চৌহানে আৰএছএছ প্ৰধান মোহন ভাগৱত তীব্ৰ ভাষাৰে সমালোচনা কৰি ৰাম মন্দিৰ নিৰ্মাণ আৰম্ভ হোৱাৰে পৰাহে দেশে স্বাধীনতা লাভ কৰা বুলি কোৱা কাৰ্যক ভৰ্ৎসনা কৰে আৰু মোহন ভাগৱতৰ এই নিকৃষ্ট মন্তব্য ভাৰতীয় সংবিধানৰ প্ৰতি চূড়ান্ত অপমান বুলি উল্লেখ কৰে। মোহন ভাগৱতৰ বিৰুদ্ধে গোচৰ ৰুজু নকৰি সংবিধান আৰু সাংবিধানিক অধিকাৰ সুৰক্ষাৰ স্বাৰ্থত কাম কৰা ৰাহুল গান্ধীৰ বিৰুদ্ধেহে অসমত গোচৰ ৰুজু কৰাত চৌহানে আশ্চৰ্য প্ৰকাশ কৰে। সংবাদমেলত অসমৰ অনুসূচিত জাতি কংগ্ৰেছৰ ৰাজ্যিক অধ্যক্ষ তৃষ্ণা দাসেও সংবিধান সুৰক্ষাৰ অভিযানৰ তাৎপৰ্য ব্যাখ্যা কৰে। সংবাদমেলত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, বিধায়ক নন্দিতা দাস, সম্পাদক ৰামান্না বৰুৱা আৰু মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰা উপস্থিত থাকে। সংবিধান ৰক্ষা অনুষ্ঠানত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই উদাত্ত ভাষণেৰে দেশৰ আটাইতকৈ দুৰ্নীতিগ্ৰস্ত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি চৰকাৰৰ অত্যাচাৰী মন্ত্ৰী-বিধায়কসকলৰ দুৰ্নীতিৰ শিপা উঘালি ২০২৬ত ব্ৰহ্মপুত্ৰত দলিয়াই দিব বুলি উল্লেখ কৰে। বৰাই কয় যে অসমৰ নমস্য গুৰু আৰু দাৰ্শনিকসকলৰ ধ্যান-ধাৰণাক এতিয়া বিজেপিয়ে নস্যাৎ কৰি দীনদয়াল উপাধ্যায় আৰু শ্যামাপ্ৰসাদ মুখাৰ্জীৰ নীতি-আদৰ্শ জাপি দিব খুজিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা, সুধাকণ্ঠ ভূপেন হাজৰিকাৰ সাৰ্বজনীন অসমীয়াত্বৰ ধ্যান-ধাৰণা বিজেপিয়ে সংকীৰ্ণ কৰি মানুহৰ মাজত সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই দিছে। এই বিজেপিক শাসনৰ গাদীৰ পৰা আঁতৰাই সংবিধান সুৰক্ষিত কৰাৰ লগতে দেশৰ সকলো শ্ৰেণীৰ নাগৰিকৰ সন্মান, সমবিকাশ আৰু সামাজিক ন্যায় পুনৰ উদ্ধাৰ কৰিবৰ বাবে কংগ্ৰেছে সংকল্প গ্ৰহণ কৰা বুলি তেওঁ উল্লেখ কৰে। সভাত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া, নিখিল ভাৰত কংগ্ৰেছৰ সম্পাদক মনোজ চৌহান, অতুল চন্দ্ৰ বুঢ়াগোহাঁইয়ে ভাৰতীয় নাগৰিকৰ সাংবিধানিক অধিকাৰক লৈ বক্তব্য প্ৰদান কৰে। সভাত ভাৰতীয় সংবিধানৰ সংশোধিত প্ৰতিলিপি সভাত বিতৰণ কৰা হয়। সভাত জ্যেষ্ঠ কংগ্ৰেছ নেতা বলীন কুলী, ৰিপুণ বৰা, বিধায়ক ৰেকিবুদ্দিন আহমেদ আৰু নুৰুল হুদাকে ধৰি কংগ্ৰেছৰ নেতা-কৰ্মী আৰু বহুসংখ্যক লোকে অংশগ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৱাকফ ব'ৰ্ডক লৈ যুটীয়া সংসদীয়

সূত্ৰ অনুসৰি কমিটীৰ অধ্যক্ষ জগদম্বিকা পালে তৃণমূলৰ সাংসদ কল্যাণ বেনাৰ্জীকে ধৰি ১০জন বিৰোধী সাংসদক এদিনৰ বাবে নিলম্বন কৰে। উল্লেখ্য যে, ৱাকফ বিধেয়ক সন্দৰ্ভত বিৰোধীৰ দাবীক লৈ চৰকাৰে যুটীয়া সংসদীয় সমিতি গঠন কৰিছিল। শীতকালীন অধিৱেশনৰ প্ৰথম সপ্তাহতে কমিটীয়ে প্ৰতিবেদন দাখিল কৰাৰ কথা আছিল। কিন্তু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত কাম সম্পূৰ্ণ নোহোৱাত কমিটীৰ ম্যাদ বৃদ্ধি কৰা হয়। অধ্যক্ষ জগদম্বিকা পালে শুকুৰবাৰ আৰু শনিবাৰৰ বৈঠকক অন্তিম পৰ্যায়ৰ বৈঠক হিচাপে আখ্যা দিয়ে। কিন্তু বৈঠকৰ প্ৰথম দিনটোতে সৃষ্টি হয় উত্তেজনাৰ। বৈঠকৰ সময়সূচী আৰু প্ৰতিবেদন দাখিলৰ সময় সন্দৰ্ভত বিৰোধীয়ে আপত্তি প্ৰকাশ কৰে। কমিটীৰ অধ্যক্ষই প্ৰতিবেদন দাখিল কৰাত অত্যধিক খৰখেদা কৰি প্ৰয়োজনীয় আলোচনাৰ অনুমতি নিদিয়াৰ অভিযোগ কৰে বিৰোধীয়ে। ইয়াৰ ফলত তৃণমূলৰ সাংসদ কল্যাণ বেনাৰ্জী আৰু বিজেপিৰ সাংসদ নিশিকান্ত ডুবেৰ মাজত তীব্ৰ তৰ্ক-বিতৰ্কৰ সৃষ্টি হয়। অধ্যক্ষৰ এই সিদ্ধান্তক লৈ ক্ষোভ প্ৰকাশ কৰি বিৰোধী দলৰ সাংসদসকলে বৈঠকৰ পৰা ওলাই আহে। পিছত জানিব পৰা মতে জগদম্বিকা পালে আজিৰ বাবে ১০ জন বিৰোধী সাংসদক নিলম্বন কৰাৰ সিদ্ধান্ত লয়। এই নিলম্বনৰ সন্দৰ্ভত তৃণমূলৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "আমি ৩০ বা ৩১ তাৰিখে বৈঠক অনুষ্ঠিত কৰিবলৈ অনুৰোধ কৰিছিলোঁ। কিন্তু আমাৰ কথা শুনা নাছিল। এজেণ্ডা অনুসৰি কোনো আলোচনা নহয়।" মন কৰিবলগীয়া যে ৱাকফ ব'ৰ্ডৰ জেপিচিৰ বৈঠকত উত্তেজনাৰ সৃষ্টি হোৱাটো এইটোৱেই প্ৰথম নহয়। ইয়াৰ পূৰ্বে বৈঠকত বিশৃংখলতাৰ অভিযোগ উত্থাপন হৈছিল কল্যাণ বেনাৰ্জীৰ বিৰুদ্ধে। বিজেপিয়ে অভিযোগ কৰে যে এবাৰ তেওঁ কাৰোবাৰ ওপৰত গিলাচ নিক্ষেপ কৰিছিল। অৱশ্যে সেই সময়ত কল্যাণ বেনাৰ্জীয়ে তেওঁৰ হাতৰ পৰা গিলাচ পৰি যোৱা বুলি দাবী কৰিছিল।

# মাজবাটৰ বাঁহ-বেতৰ শিল্পী দানীৰাম ৰাভাৰ স্মৃতিচাৰণ সভা

**ই-সংবাদ, মাজবাট, ২৪ জানুৱাৰীঃ** ওদালগুৰি জিলাৰ মাজবাট ৰাজহ চক্ৰ এলেকাৰ পাঠকপুৰ গাওঁৰ বাঁহ বেতৰ শিল্পী তথা ধৰ্মীয় সভা সমিতিৰ লগত জড়িত থকা প্ৰয়াত দানীৰাম ৰাভাৰ ১০৫ বছৰ বয়সত মৃত্যু হয়। দানীৰাম ৰাভাৰ জন্ম হৈছিল ১৯২০ চনৰ ১ জানুৱাৰীত আৰু ১০ জানুৱাৰী ২০২৫ চনত সম্পূৰ্ণ ১০৫ বছৰত মৃত্যু হয় ৰাভাৰ। ৰাভাই বাঁহ-বেতৰ শিল্পৰ লগত জড়িত থকাৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱ সত্ৰ সংঘৰ সৈতে বিভিন্ন অনুষ্ঠানত থাকি অসমীয়া সমাজখনক আগুৱাই নিবলৈ আপ্ৰাণ চেষ্টা কৰি গৈছিল। ২২ জানুৱাৰীৰ আদ্য শ্ৰাদ্ধৰ দিনা দানীৰাম ৰাভাৰ স্মৃতিত স্থানীয় ৰাইজে অনুষ্ঠিত কৰে স্মৃতিচাৰণ সভা। স্মৃতিচাৰণ সভাত উপস্থিত থাকে শংকৰদেৱ শত্ৰ সংঘৰ বাপ মধুৰাম ডেকা, ৰাভা ছাত্ৰ সন্থাৰ উপদেষ্টা গোবিন্দ ৰাভা, অৱসৰপ্ৰাপ্ত শিক্ষক শৰৎ চন্দ্ৰ দাস, ভগেশ্বৰ কলিতা, গাঁও প্ৰধান ভদ্ৰেশ্বৰ পানিকা। বিৰছা মুণ্ডা ক্লাব আৰু পুথিভঁৰালৰ সভাপতি ধীৰেন ৰাজোৱাৰ, জ্যেষ্ঠ নাগৰিক জনা ৰাম ডেকা, সাউনী ৰাভাৰ লগতে প্ৰয়াত দানীৰাম ৰাভাৰ পত্নী বিমলা ৰাভা, পুত্ৰ, কন্যা, নাতি-নাতিনী আৰু গাওঁৰ ৰাইজে অনুষ্ঠানত দানীৰাম ৰাভাৰ কৰ্মৰাজিক স্মৰণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰাজীৱ শদিয়াৰ স্মৃতি ৰক্ষাৰ ভূমিক লৈ

বেংক কৰ্তৃপক্ষই হস্তগত কৰিবলৈ ষড়যন্ত্ৰ কৰিছে। দান সূত্ৰে দিয়া ভূমি দেখুৱাই ঋণ লোৱাৰ অভিযোগৰ মাজতে দুই বহিৰাগতক মুকলি ধমক প্ৰদান কৰিছে সংযুক্ত মুক্তি বাহিনী অসম স্বাধীন চমুকৈ আলফা স্বাধীনে। আজি এক বিবৃতিযোগে আলফা স্বাধীনে পঞ্জাৱ নেচনেল বেংকৰ তিনিচুকীয়া শাখাৰ প্ৰবন্ধক অমিত ঝা আৰু তেওঁৰ সহযোগী আনন্দ ৰাচিৰাচিয়াৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ মুকলি ধমক প্ৰদান কৰিছে। সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ প্ৰচাৰ বিভাগৰ সহঃ সম্পাদক লেফটেন্টেট ঈশান অসমে সংবাদমাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিযোগে কয় যে ৰাজীৱ শদিয়াৰ পৰিয়ালক দান দিয়া মাটিৰ নথি জালিয়াতি কৰি ৫০ লাখ টকা ঋণ লোৱা হৈছে। এই ঋণ লৈছে পঞ্জাৱ নেচনেল বেংকৰ তিনিচুকীয়া শাখাৰ প্ৰবন্ধক অমিত ঝা আৰু তেওঁৰ সহযোগী আনন্দ ৰাচিৰাচিয়াই। আলফা স্বাধীনে অভিযোগ উত্থাপন কৰি কয় যে গণশিল্পীগৰাকীৰ স্মৃতি ৰক্ষাৰ বাবে তিনিচুকীয়াৰ গেলাপুখুৰীস্থিত মাটি এডোখৰ মাটিখিনিৰ স্বত্বাধিকাৰী মনোজ চুতীয়াই ৰাজীৱ শদিয়াৰ পৰিয়ালক দান কৰাৰ পোষকতা কৰিছে। কিন্তু সেই মাটিখিনিৰ নথি জালিয়াতি কৰি পঞ্জাৱ নেচলেন বেংকৰ পৰা ৫০ লাখ টকাৰ ঋণ লৈ সম্প্ৰতি অসম এৰি গৈছে বহিৰাগত অমিত ঝা আৰু আনন্দ ৰাচিৰাচিয়া। ইয়াকে লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আলফা স্বাধীনে স্পষ্টকৈ কয় যে একবিংশ শতিকাত অসমৰ থলগিৰি জনগণৰ জাতি-মাটি-ভেটিৰ হকে সংগীত ৰচনা আৰু পৰিৱেশন কৰি অসমৰ যুৱপ্ৰজন্মৰ মাজত জাতীয়তাবাদৰ বীজ ৰোপণ কৰিবলৈ চেষ্টা অব্যাহত ৰাখি গণশিল্পীলৈ পৰ্যৱসিত হোৱা সদ্য প্ৰয়াত সংগীত শিল্পী ৰাজীৱ গগৈ ওৰফে ৰাজীৱ শদিয়াৰ স্মৃতি ৰক্ষাৰ বাবে দিয়া জমি নথি-পত্ৰ জালিয়াতিৰে পঞ্জাৱ নেচনেল বেংকৰ পৰা ৫০ লাখ টকাৰ ঋণ লৈ সম্প্ৰতি অসম এৰিছে অমিত ঝা আৰু আনন্দ ৰাচিৰাচিয়াই। এনে পৰিপ্ৰেক্ষিতত পঞ্জাৱ নেচনেল বেংক কৰ্তৃপক্ষই উক্ত মাটিখিনি দখল কৰাৰ যি ষড়যন্ত্ৰত লিপ্ত হৈছে তেনে ষড়যন্ত্ৰৰ পৰা বিৰত থাকিবলৈ সংযুক্ত মুক্তি বাহিনী স্বাধীনৰ তৰফৰ পৰা নিৰ্দেশনা প্ৰদান কৰা হৈছে। এই নিৰ্দেশনা অমান্য কৰি কোনো ব্যক্তি বিশেষ অথবা প্ৰতিষ্ঠানে উক্ত মাটিখিনি হস্তগত কৰিব বিচাৰিলে সংযুক্ত মুক্তি বাহিনী স্বাধীন সংগঠনে কঠোৰতকৈ কঠোৰতম ব্যৱস্থা ল'বলৈ বাধ্য হ'ব পৰিব বুলিও সকীয়াই দিয়ে। আলফাৰ এই সকীয়ানিক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জিএমচিএইচত কিশোৰী ৰোগীক চাফাই

প্ৰতিষ্ঠানটোৱে এই ঘটনা পোহৰলৈ আনিছে। জানিব পৰা মতে, ঘটনাৰ খবৰ সংবাদমাধ্যমে লাভ নকৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল কৰ্তৃপক্ষই। কিন্তু ইতিমধ্যে ঘটনাক লৈ গোচৰ ৰুজু কৰা হৈছিল আৰু তদন্তৰ অন্তত আব্দুলক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে হাস্পতাল কৰ্তৃপক্ষই। আব্দুল আৰু আন এগৰাকী মহিলা চাফাই কৰ্মীৰ বিৰুদ্ধে পক্সো আইনৰ অধীনত গোচৰ ৰুজু কৰা হৈছে। এটা বাথৰুমত এই ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে। ঘটনাত জড়িত আছিল এগৰাকী মহিলা। মহিলাগৰাকীয়ে কিশোৰীক বাথৰুমলৈ নি আব্দুলৰ হাতত গতাই দিছিল। বাথৰুমৰ পৰা ওলাই আহি কিশোৰী, মহিলা আৰু আব্দুল নিজ নিজ স্থানলৈ গৈছিল। সমস্ত ঘটনা চিচিটিভিত বন্দী হৈছে। মহিলাগৰাকীৰ সৈতে বাথৰুমলৈ গৈছিল কিশোৰীগৰাকী। তিনিওজনে বাথৰুমৰ পৰা ওলায়ো আহিছিল। জানিব পৰা মতে, ১৩ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি হৈছিল বৃক্কৰ ৰোগত আক্ৰান্ত কিশোৰীগৰাকী। মাজুলীৰ পৰা অহা কিশোৰীগৰাকীৰ লগত আছিল কেৱল মাতৃ। জীয়ৰীক অকলেই এৰি মাতৃয়ে ঔষধ ক্ৰয় বা অন্যান্য কামত ওলাই যায়। ভৰ্তি হৈ চিকিৎসা কৰি থকাৰ সময়তে আব্দুল ৰশ্বিদ নামৰ চাফাই কৰ্মীজনৰ সৈতে চিনাকি হৈছিল কিশোৰীগৰাকী। মোবাইল নম্বৰো আদান-প্ৰদান কৰিছিল। কিন্তু চিকিৎসা মহাবিদ্যালয়তে ১৯ জানুৱাৰীৰ নিশা ১২ বজাত এই ঘটনা সংঘটিত হোৱাৰ অভিড়োগ উঠে। মাজনিশা বন্ধ ৱাশ্ব ৰুমত চাফাই কৰ্মী আব্দুল ৰশ্বিদৰ কামনাৰ বলি হৈছিল বৃক্কৰ ৰোগৰ চিকিৎসা কৰি থকা কিশোৰীগৰাকী। মাতৃয়ে এই কথা অৱগত হোৱাত ভঙাগড় আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। ১৯ জানুৱাৰীৰ নিশা প্ৰায় ১২ বজাত মাতৃয়ে ঔষধ কিনিবলৈ ওলাই যোৱাৰ সময়তে কিশোৰীৰ বেড থকা কোঠাৰ সৈতে লাগি থকা ৱাশ্বৰুমলৈ যাব খোজে কিশোৰী। এগৰাকী মহিলা চাফাই কৰ্মীয়ে কিশোৰীগৰাকীক হাতত ধৰি আগবঢ়াই নিয়ে। কিন্তু পূৰ্বে ৱাশ্ব ৰুমত সোমাই আছিল চাফাই কৰ্মী আব্দুল। অভিযোগ মতে, মহিলা চাফাই কৰ্মীগৰাকীয়ে কিশোৰী সোমোৱা ৱাশ্বৰুমটোৰ দৰ্জাখন বাহিৰৰ পৰা বন্ধ কৰি দিছিল। চাফাই কৰ্মী আব্দুল আৰু কিশোৰী কিছু সময় একেটা বাশ্বৰুমত সোমাই থাকে। পিছত দুয়ো ওলাই আহি নিজ নিজৰ স্থানলৈ গুছি যায়। কিশোৰীগৰাকীৰ পূৰ্বে এবাৰ অস্ত্ৰোপচাৰ কৰা হৈছিল বুলি জানিব পৰা গৈছে। দ্বিতীয়টো অস্ত্ৰোপচাৰ এই ঘটনা সংঘটিত হোৱাৰ পিছত কৰা হৈছে। মাতৃৰ মতে, এই ঘটনাৰ পিছতে খোৱা-বোৱা নকৰা হৈছে কিশোৰীগৰাকীয়ে। ইপিনে হাস্পতাল কৰ্তৃপক্ষই জনোৱা মাতে, আব্দুলে সমগ্ৰ অভিযোগ অস্বীকাৰ কৰিছে আৰু কিশোৰীগৰাকীয়ে ফোন নম্বৰ লৈছিল আৰু ৬৪টা মিছডকল দিছিল বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে আব্দুলক চাকৰিৰ পৰা বৰ্খাস্ত কৰিলে কিশোৰীগৰাকীয়ে আত্মহত্যা কৰাৰ ভাবুকি দিছিল। কিশোৰীগৰাকীয়ে আব্দুলৰ সৈতে প্ৰেম থকাৰ কথা স্বীকাৰ কৰিছে। আব্দুলে আহাৰ পৰ্যন্ত খুৱাই দিছিল। কিশোৰীগৰাকীৰ মাতৃৰ এজাহাৰৰ ভিত্তিত ভঙাগড় আৰক্ষী আৰু হাস্পতাল কৰ্তৃপক্ষই তদন্ত কৰি আব্দুলক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। মাতৃ কাষত নথকাৰ সুযোগ লৈ এগৰাকী ১৩ বছৰীয়া কিশোৰী চাফাই কৰ্মীৰ কামনাৰ বলি হ'ল নেকি? তাকে লৈ উত্থাপন হৈছে প্ৰশ্ন। স্বাস্থ্য বিভাগ তথা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষই ৰোগীক সুৰক্ষা দিব নোৱৰাৰ অভিযোগ উত্থাপন হোৱাৰ লগতে কৰ্তৃপক্ষই দিয়া স্পষ্টীকৰণ আৰু ভুক্তভোগীৰ মাতৃয়ে দিয়া এজাহাৰক লৈ এতিয়া সমগ্ৰ ঘটনাটো তীব্ৰ ৰহস্যৰ আৱৰ্তত সোমাই পৰিছে। ঘটনা সন্দৰ্ভত ইতিমধ্যে ভঙাগড় আৰক্ষীয়ে অভিযুক্ত আব্দুল ৰশ্বিদ আৰু কৰবী ৰয় নামৰ এগৰাকী মহিলাক গ্ৰেপ্তাৰ কৰি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰিছে। বিপৰীতে জিএমচিএইচ কৰ্তৃপক্ষই বিষয়টোক লঘু কৰিবলৈ সংবাদ মাধ্যমলৈহে দোষ ঠেলা দেখা গৈছে।

# কোকৰাঝাৰত গণৰাজ্য দিৱসৰ প্ৰস্তুতি সম্পূৰ্ণ

**ই-সংবাদ, কোকৰাঝাৰ, ২৪ জানুৱাৰীঃ** গণৰাজ্য দিৱসলৈ মাজত মাথো এটা দিন বাকী থকা অৱস্থাত কোকৰাঝাৰত ৭৬ তম গণৰাজ্য দিৱসৰ পূৰ্ণ প্ৰস্তুতি চলিছে। কোকৰাঝাৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ খেলপথাৰত জিলা প্ৰশাসনৰ উদ্যোগত ব্যাপক প্ৰস্তুতি চলিছে আৰু গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰিবলগীয়া দলসমূহে অনুশীলন অব্যাহত ৰাখিছে। আজি সংবাদ মাধ্যমৰ আগত উপ আৰক্ষী অধীক্ষক দেৱজিৎ মহন্তই কোকৰাঝাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত অসম আৰক্ষীৰ ৫ টা দলে পেৰেডত ভাগ ল'ব বুলি মন্তব্য কৰিছে। ইয়াৰোপৰি বিদ্যালয়-মহাবিদ্যালয়, স্কাউট এণ্ড গাইড, এনচিচি আদিকে ধৰি আন ১১টা দলেও অৰ্থাৎ সৰ্বমুঠ ১৬ টা দলে গণৰাজ্য দিৱসৰ পেৰেডত অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে। আনহাতে গণৰাজ্য দিৱসৰ দিনটোত যাতে কোনোধৰণৰ কূটাঘাতমূলক কাৰ্য সংঘটিত নহয় তাৰ প্ৰতিও আৰক্ষী প্ৰশাসন সচেষ্ট হৈছে আৰু আৰক্ষী অধীক্ষকৰ নিৰ্দেশ মৰ্মে নাকা চেকিং, এৰিয়া ডমিনেচন আদি কৰি থকা হৈছে বুলি মন্তব্য কৰিছে উপ-আৰক্ষী অধীক্ষক দেৱজিৎ মহন্তই। ইপিনে উক্ত দিনা বিভাগীয়ভাৱে প্ৰদৰ্শিত হ'বলগীয়া টেব্যুলুসমূহ সজাই-পৰাই প্ৰায় সাজু কৰি তুলিছে বিভিন্ন বিভাগসমূহে। উল্লেখ্য যে কোকৰাঝাৰত ৭৬ তম গণৰাজ্য দিৱসৰ পতাকা উত্তোলন কৰিব বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে। এই লৈ ইতিমধ্যে চহৰখনত এক সুকীয়া পৰিৱেশ গঢ় লৈ উঠা পৰিলক্ষিত হৈছে।

# শিৱসাগৰত অসাধু চক্ৰৰ ঐতিহাসিক পুখুৰী ধ্বংসৰ অপচেষ্টা, উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, শিৱসাগৰ, ২৪ জানুৱাৰীঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তত সিঁচৰিত হৈ থকা ঐতিহাসিক সম্পদ তথা সমলসমূহ সংৰক্ষণৰ দাবী কৰি অহাৰ সময়তে শিৱসাগৰত আহোম ৰাজত্ব কালৰ সম্পদ বেদখল আৰু ধ্বংস কৰাত নামিছে একাংশ। শিৱসাগৰ চহৰতে খোদ পৌৰসভাৰ জ্ঞাতসাৰেই একাংশ পুঁজিপতিয়ে উঠি ৰজা-বহি ৰজাৰ ভূমিকাত অৱতীৰ্ণ হৈ ঐতিহাসিক সম্পদৰ ওপৰত লগাইছে হাতোৰা। এনে দৃশ্য পোহৰলৈ অহাৰ পিছতে শিৱসাগৰ পৌৰসভাৰ এলেকা অন্তৰ্গত গোঁহাই চুকত সৃষ্টি হয় উত্তপ্ত পৰিস্থিতিৰ। অসাধু চক্ৰই পৌৰসভাৰ সহযোগত আহোম ৰাজত্বকালৰ চেংমুন গোঁহাই পুখুৰীৰ এটা অংশ মাটি পেলোৱাৰ উপৰিও পুখুৰীৰ পাৰত প্ৰায় ৮-১০ ফুট পকী দেৱাল নিৰ্মাণ কৰা দেখি হতবাক হৈ পৰে আটাছু, বীৰ লাচিত সেনা, ৰাইজৰ দল, অসম জাতীয় পৰিষদকে ধৰি একাংশ দল-সংগঠন আৰু স্থানীয় সচেতন ৰাইজ। এনে দৃশ্য প্ৰত্যক্ষ কৰি সকলোৱে তীব্ৰ ক্ষোভ প্ৰকাশ কৰাৰ লগতে শীঘ্ৰে দেৱাল ভাঙি দিয়াৰ দাবী তোলে। ঐতিহাসিক পুখুৰীটোৰ পাৰত উপস্থিত হৈ আটাছুৰ সভাপতি বসন্ত গগৈয়ে কয় যে ঐতিহাসিক সম্পদৰ ওপৰত অত্যাচাৰ নচলিব আৰু ঐতিহাসিক সম্পদৰ ওপৰত বে-দখলো সহ্য কৰা নহ'ব। ঐতিহাসিক সম্পদসমূহ শিৱসাগৰ পৌৰসভাৰ পৈত্তিক সম্পত্তি নহয়। পৌৰসভাই এই পকী ৱাল ভাঙিবই লাগিব। পৌৰসভাৰ বিয়াগোম ঠিকাদাৰৰ সৈতে থকা মিতিৰালি কোনো কাৰণতে সহ্য কৰা নহ'ব বুলিও বসন্ত গগৈয়ে স্পষ্ট কৰি দিয়ে। বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহাই কয় যে এই ঐতিহাসিক পুখুৰিটো পৌৰসভাৰ সভানেত্ৰীৰ পৈত্তিক সম্পত্তি নহয়। সাংসদ কামাখ্যা প্ৰসাদ তাছাৰ সাংসদ উন্নয়ণ পুঁজিৰ অপব্যৱহাৰ হৈছে। গতিকে তৎকালে তাছাই বিহিত ব্যৱস্থা ল'ব লাগে। উল্লেখ্য যে সাংসদ কামাখ্যা প্ৰসাদ তাছাই শিৱসাগৰ চুইমিং ছ'চাইটিক ১০ লাখ টকাৰ এক অনুদান দিছিল। চেংমুন গোঁহাই পুখুৰীৰ কাষতে আছে এটা চুইমিং পুল। সেই চুইমিং পুল স্থাপনৰ বাবে স্থানীয় ৰাইজেই একালত ভূমি এৰি দি সুবিধা কৰি দিছিল। সমান্তৰালকৈ ঐতিহাসিক পুখুৰীটো যাতে অক্ষুণ্ণ থাকে তাৰ বাবে সোঁৱৰাই দিছিল। কিন্তু সম্প্ৰতি উক্ত চুইমিং পুলটোৰ আন্তঃগাঠনি উন্নত কৰিবৰ বাবে সাংসদগৰাকীয়ে দিছিল দহ লাখ টকা। ঐতিহাসিক পুখুৰীটোৰ ঢাকি বৃহৎ দেৱাল নিৰ্মাণ কৰিবলৈ দিয়া নাছিল সেই পুঁজি। কিন্তু এটা চক্ৰই সাংসদগৰাকীক অন্ধকাৰত ৰাখি সেই পুঁজিৰে একাংশ ঠিকাদাৰৰ সৈতে মিলি শিৱসাগৰ পৌৰসভাই আহোম ৰাজত্ব কালৰ চেংমুন বুঢ়াগোঁহাই পুখুৰীত অবৈধভাৱে দেৱাল নিৰ্মাণ, মাটি পেলাই পুখুৰী পুতিবলৈ লোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে। পৌৰসভাৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰিবলৈ আজি ওলাই আহিল জাতীয় দল সংগঠন তথা স্থানীয় ৰাইজ। এটা ছুইমিং পুলৰ সম্প্ৰসাৰণৰ নামত ঐতিহাসিক চেংমুন বুঢ়াগোঁহাই পুখুৰী ধ্বংস কৰি এটা অংশ পুতি পেলোৱা বুলিও ক্ষোভ প্ৰকাশ কৰিছে ৰাইজে। শিৱসাগৰ পৌৰ সভাৰ বিষয়া-কৰ্মচাৰীৰ বিৰুদ্ধেও ক্ষোভ উজাৰে দল-সংগঠনে। পৰিস্থিতি অধিক উত্তেজনাময় হৈ পৰাত তথা দল-সংগঠনৰ তীব্ৰ বিৰোধীতাৰ ফলত অবৈধভাৱে নিৰ্মাণ কৰা দেৱালখন পৌৰসভাৰ বিষয়ববীয়াৰ উপস্থিতিতি এক্সকেভেটৰ লগাই ভাঙি দিয়ে ৰাইজে। ইয়াৰ উপৰিও যি সকল শ্ৰমিক নিয়োজিত হৈ আছিল, সেই সকল শ্ৰমিক আৰু ঠিকাদাৰকো অনাগত দিনত তাৰ চেংমুন বুঢ়াগোঁহাই পুখুৰী ধ্বংস কৰি কোনো নিৰ্মাণ কাৰ্য নকৰিবলৈ সঁকিয়াই দিয়ে।

---

## একাধিক প্ৰতিবাদী কাৰ্যসূচী ঘোষণা, ২৮ জানুৱাৰীত গুৱাহাটীৰ শ্ৰম ভৱনৰ সন্মুখত দিব ধৰ্ণা

# চাহ কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ সুবিধা কৰ্তনৰ বিৰুদ্ধে গৰজি উঠিছে চাহ কৰ্মচাৰী সংঘ

**ই-সংবাদ, ডুমডুমা, ২৪ জানুৱাৰীঃ** ২০০ বছৰ গৰকা অসমৰ চাহ উদ্যোগত নিয়োজিত কৰ্মচাৰীসকলৰ একমাত্ৰ শ্ৰমিক সংগঠনটোৱেই হৈছে অসম চাহ কৰ্মচাৰী সংঘ। ১৯৫৫ চনতেই অসম চাহ কৰ্মচাৰী সংঘৰ পুৰোধা ব্যক্তিসকলৰ তৎপৰতাত শ্ৰমিক-কৰ্মচাৰীৰ ভৱিষ্যত তথা অৰ্থনৈতিক সুৰক্ষাৰ বাবে গঠন হোৱা Assam Tea Employees Provident Fund Organisation চমুকৈ, ATEPFO ন্যাসৰ দ্বাৰা প্ৰৱৰ্তিত Assam Tea Plantation Provident Fund and Pension Fund and Deposit Linked Insurance Fund Scheme, 1955 নামৰ সুন্দৰ আঁচনিখনৰ দ্বাৰা এগৰাকী শ্ৰমিক-কৰ্মচাৰীয়ে অৱসৰৰ পাছত বা কৰ্মৰত অৱস্থাত মৃত্যু হ'লে বিভিন্ন সুবিধা লাভ কৰি আহিছিল যদিওঁ উক্ত আঁচনিখনৰ সন্দৰ্ভত অসম চৰকাৰে শেহতীয়াকৈ গ্ৰহণ কৰা নীতি তথা চৰকাৰৰ দ্বাৰা চাহ কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ সুবিধা কৰ্তন কৰাক লৈ গৰজি উঠিছে অসম চাহ কৰ্মচাৰী সংঘ। সংঘই অসম চৰকাৰৰ ৰাজপত্ৰ নং ৬৬৬ ত যোৱা ১২ আৰু ১৯ নৱেম্বৰত প্ৰচাৰিত জাননীখনৰ তীব্ৰ বিৰোধিতা কৰি উক্ত জাননীৰ প্ৰত্যাহ্বান জনাই গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰুজু কৰা WP(c)6594/2024 নম্বৰৰ গোচৰত যোৱা ৯ , ১০ আৰু ২২ জানুৱাৰীত আদালতে শুনানি গ্ৰহণ কৰে। উক্ত গোচৰটোৰ পৰৱৰ্তী শুনানিৰ দিন হৈছে অহা ৫ ফেব্ৰুৱাৰী। আজি অসম চাহ কৰ্মচাৰী সংঘই তিনিচুকীয়া সাংবাদিক চ'ৰা ভৱনত অনুষ্ঠিত কৰা এক সংবাদ মেলত চাহ কৰ্মচাৰী সংঘই চৰকাৰৰ এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই ইতিমধ্যে উচ্চ ন্যায়ালয়ত এক গোচৰ ৰুজু কৰাৰ বিষয়ে সংবাদ মেল যোগে অৱগত কৰে সংঘৰ সাধাৰণ সম্পাদক ঋষভ কলিতাই। কলিতাই চাহ কৰ্মচাৰী সকলৰ ভৱিষ্যত জীৱনৰ সৈতে জড়িত বিষয়টিৰ গুৰুত্ব বুজি যোৱা ১৮ জানুৱাৰীত অনুষ্ঠিত হৈ যোৱা সংঘৰ জৰুৰী কাৰ্যকৰী সমিতিৰ সভাত কোনো কাৰণতে ইয়াক মানি নোলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰা বুলি উল্লেখ কৰাৰ লগতে এই সন্দৰ্ভত যোৱা ২২ জানুৱাৰীত অসম চৰকাৰৰ শ্ৰম আয়ুক্তগৰাকীক এখনি স্মাৰক পত্ৰৰে বিষয়টি হস্তক্ষেপ কৰি সমাধান কৰিবলৈ দাবী তোলাৰ কথাও জানিবলৈ দিয়ে। ইতিমধ্যে এই স্মাৰক পত্ৰৰ প্ৰতিলিপি মুখ্যমন্ত্ৰী, শ্ৰম কল্যাণ মন্ত্ৰীকে প্ৰমুখ্যে কৰি সংশ্লিষ্ট তথা বিভাগীয় কৰ্তৃপক্ষক দাখিল কৰাৰ কথাও উল্লেখ কৰে। চৰকাৰে যদিহে ২৪ জানুৱাৰীৰ ভিতৰত সংঘৰ ন্যায্য দাবীৰ প্ৰতি গুৰুত্ব প্ৰদান নকৰে, তেন্তে সংঘই সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে কেইবাটাও প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথা ঘোষণা কৰে। সেই অনুসৰি, অহা ২৮ জানুৱাৰীত বাগিচাৰ কাৰ্যালয়ৰ সন্মুখত চাহ কৰ্মচাৰীসকলে ক'লা বেজ পৰিধান কৰি পুৱা ৭ বজাৰ পৰা এক ঘণ্টা ধৰ্ণা কাৰ্যসূচী পালন কৰাৰ উপৰিও ৩০ জানুৱাৰীৰ দুপৰীয়া ১২ বজাৰ পৰা ১ বজালৈ গুৱাহাটীৰ শ্ৰম ভৱনৰ সন্মুখত "কৰ্মচাৰী গৰ্জন " কাৰ্যসূচী ৰূপায়ণ কৰাৰ কথাও জানিবলৈ দিয়ে। সংবাদমেলত এই প্ৰতিবাদৰ প্ৰতি চৰকাৰৰ লগতে মালিক পক্ষৰ পৰা উচিত সঁহাৰি নাপালে সমগ্ৰ অসমতে এক তীব্ৰ আন্দোলন গঢ়ি তুলি চাহ বাগিচাসমূহ অচল কৰি দিয়াৰো হুংকাৰ প্ৰদান কৰে অসম চাহ কৰ্মচাৰী সংঘ। আজিৰ সংবাদ মেলত উপ-সভাপতি বীৰেন অধ্যাপক, সম্পাদক হিতেন্দ্ৰ নাথ বৰুৱা, কোষাধ্যক্ষ ৰাতুল কাকতি, সংঘৰ পানীতোলা শাখাৰ সম্পাদক জয়চন্দ্ৰ শইকীয়া, সহকাৰী সম্পাদক অমৃত শৰ্মাও উপস্থিত থাকে।

## ৰঙিয়াৰ তুলসীবাৰী গৰখীয়া গোপাল মাৰলী থানৰ ৪১ সংখ্যক বাৰ্ষিক মহোৎসৱ

**ই-সংবাদ, ৰঙিয়া, ২৪ জানুৱাৰীঃ** ৰঙিয়াৰ তুলসীবাৰীস্থিত ঐতিহ্য মণ্ডিত শ্ৰী শ্ৰী গৰখীয়া গোপাল মাৰলী থানৰ ৪১ সংখ্যক বাৰ্ষিক মহোৎসৱ আৰু প্ৰাণ প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈৰ পৰা তিনিদিনীয়াকৈ আয়োজন কৰা কাৰ্যসূচীৰ সফল ৰূপায়ণৰ লক্ষ্যৰে অচ্যুত চন্দ্ৰ কেওটক সভাপতি, অনন্ত ৰাজবংশী, দীনেশ কলিতা, সুবোধ কলিতাক উপ-সভাপতি, সঞ্জয় কলিতাক সাধাৰণ সম্পাদক আৰু মুকুট কলিতা, মদন কুমাৰ, অমৰজ্যোতি দাসক সহকাৰী সম্পাদক হিচাপে লৈ শক্তিশালী উদযাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি কাইলৈ পুৱাৰ ভাগত ভাগৱত স্থাপন, মুখ্য দ্বাৰ উন্মোচন, মন্দিৰৰ দ্বাৰ উন্মোচনকে ধৰি প্ৰাৰম্ভিক কাৰ্যসূচী ৰূপায়ণৰে মহোৎসৱৰ শুভাৰম্ভ কৰা হ'ব। দ্বিতীয় দিনা পুৱা নিত্য প্ৰসংগ, ধৰ্মীয় পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু ভাগৱত শোভাযাত্ৰাৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। দিনৰ ভাগত অনুষ্ঠিত হ'ব লগা ধৰ্মালোচনা সভাত মুখ্য অতিথি, নিৰ্দিষ্ট বক্তা আৰু আমন্ত্ৰিত অতিথিৰূপে অংশগ্ৰহণ কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত, বিশিষ্ট চিন্তাবিদ ময়ূৰ বৰা আৰু স্থানীয় বিধায়ক ভবেশ কলিতাই। সভাৰ উদ্বোধন কৰিব অসম মহাপুৰুষীয়া সত্ৰ সমাজৰ সভাপতি মনহৰি ৰাজবংশীয়ে। আনহাতে, মহাপ্ৰভুৰ সমূহীয়া ভোগক্ষেত্ৰৰ উদ্বোধন কৰিব আন্তঃৰাষ্ট্ৰীয় বিশ্ব হিন্দু পৰিষদৰ অসম প্ৰদেশৰ সাধাৰণ সম্পাদক দয়াল দাসে। য'ত গৰিমামণ্ডিত থানখনৰ আকৰ্ষণীয় কাৰ্যসূচীৰূপে বিবেচিত সমবেত লক্ষাধিক ভক্তই অৰ্ধ শতাধিক চৌকাত প্ৰস্তুত কৰা মহাপ্ৰভুৰ সমূহীয়া ভোগ গ্ৰহণ কৰিব। আনহাতে, ইয়াৰ সমান্তৰালভাৱে নাগাৰা নাম পৰিৱেশন কৰিব অসমৰ খ্যাতনামা পাঠক দ্বয় ৰামচৰণ ভড়ালী আৰু ৰাজীৱ ডেকাই। সন্ধিয়া বিগত ৪০ বছৰৰ স্মৃতিত সমূহীয়া বন্তি প্ৰজ্বলন কৰা হ'ব। ইফালে, অন্তিম দিনা দিনৰ ভাগত আকৰ্ষণীয় কাৰ্যসূচী মহিলাৰ নাগাৰা নাম পৰিৱেশন কৰিব পাঠিকাদ্বয় নন্দিতা নাথ কলিতা আৰু দেৱযানী নাথে। সন্ধিয়া কেবাগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা বন্তি প্ৰজ্বলন কৰা হ'ব। নিশা প্ৰসাদ বিতৰণৰে অনুষ্ঠানৰ পৰিসমাপ্তি ঘটিব।



সাংবাদিক তপন শইকীয়াক সম্বৰ্ধনা সদৌ অসম মটক ছাত্ৰ সন্থাৰ, চাবুৱাত

### সাহিত্য পাঠকেহে জীয়াই ৰাখে, চৰকাৰে নহয়ঃ মনোজ কুমাৰ গোস্বামী

# মৰিগাঁৱত সাৰথিৰ উদ্যোগত পাঁচদিনীয়া গ্ৰন্থমেলা

**ই-সংবাদ, মৰিগাঁও, ২৪ জানুৱাৰীঃ** অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন সাৰথিৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত আজিৰে পৰা মৰিগাঁও চহৰৰ পদুম পুখুৰীৰ মনোমোহা চৌহদত পাঁচদিনীয়াকৈ অনুষ্ঠিত হৈছে মৰিগাঁও গ্ৰন্থমেলা। আজি দুপৰীয়া এই গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে সাহিত্য অকাডেমি বঁটাপ্ৰাপক সাহিত্যিক, সাংবাদিক মনোজ কুমাৰ গোস্বামীয়ে। উদ্বোধনী ভাষণত তেওঁ কয় যে সাহিত্য পাঠকেহে জীয়াই ৰাখিব, চৰকাৰে নহয়। চৰকাৰে সাহিত্যিক পেঞ্চন দি সাহিত্যিক জনকহে জীয়াই ৰাখিব পাৰে, সাহিত্য জীয়াই ৰাখিব নোৱাৰে। অসমত দ্ৰুতগতিত পাঠকৰ সংখ্যা হ্ৰাস পোৱা দেখিবলৈ পোৱা গৈছে। যিটো গভীৰ উদ্বেগজনক বিষয়। এখন ভাল সাহিত্যৰ উপাদান থকা গ্ৰন্থ অসমত দুহেজাৰ কপিও বিক্ৰী নহয়। তেওঁ লগতে কয় যে পৃথিৱীৰ উন্নত দেশ জাপান, ফ্ৰান্স আদিত ডিজিটেল মাধ্যমত সমাজ ব্যস্ত নহয়। কিন্তু দক্ষিণ আফ্ৰিকাৰ দৰে দেশসমূহত হাতে হাতে ম'বাইল ফোন থকাৰ বাবে মগজুৰ কচৰৎ কম হবলৈ ধৰিছে। ভাৰতত ১৪০ কোটি জনসংখ্যাৰ ভিতৰত মাত্ৰ ৬০ কোটি লোকৰ হাততহে ম'বাইল ফোন আছে। সেইহেতু দক্ষিণ আফ্ৰিকাৰ দৰে অৱস্থা ভাৰতৰ আজিলৈকে হোৱা নাই। তেওঁ গ্ৰন্থ অধ্যয়নেহে সমাজ উত্তৰণ কৰিব বুলি মন্তব্য কৰে। মৰিগাঁৱৰ অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন সাৰথিৰ উদ্যোগত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত আজিৰে পৰা মৰিগাঁও চহৰৰ পদুম পুখুৰীৰ মনোমোহা চৌহদত অনুষ্ঠিত মৰিগাঁও গ্ৰন্থমেলাৰ আজিৰ এই উদ্বোধনী অনুষ্ঠানটোত আদৰণি ভাষণ প্ৰদান কৰে গ্ৰন্থমেলা পৰিচালনা সমিতিৰ সভাপতি তথা মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। অনুষ্ঠানটোত লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আচিফ নাজাৰ, মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি ড০ হৰমোহন কলিতা, মৰিগাঁও জিলা কবি সম্মিলনৰ সভাপতি অনিৰুদ্ধ ডেকা, ডিমৰীয়া মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ ৰামচৰণ ভড়ালী প্ৰমুখ্যে বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোৰ আঁত ধৰে গ্ৰন্থমেলা পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক খগেন মহন্তই। নিশা গ্ৰন্থমেলা স্থলীত অনুষ্ঠিত সাংস্কৃতিক উদ্বোধন কৰে বিশিষ্ট শিল্পী অশোক ডেকাই। গ্ৰন্থমেলাত কাইলৈ দিনৰ ১১ বজাত 'শিক্ষাৰ্থীৰ দিন' শীৰ্ষক এটা অনুষ্ঠান আৰু ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদযাপন কৰা হ'ব। অনুষ্ঠানটো উদ্বোধন কৰিব মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। অনুষ্ঠানটোত অতিৰিক্ত জিলা আয়ুক্ত অনুসূয়া শৰ্মা, জিলাখনৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়া, ৰংমেলা শিশুবাণীৰ মুখ্য সম্পাদক অৰুণ ভাগৱতী বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব ড০ সংগীতা বৰঠাকুৰে।




বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত 'ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস' পালন, ফটোঃ ই-সংবাদ, পুৰণিগুদাম

# মৰিগাঁৱত কুষ্ঠ ৰোগীৰ অক্ষমতা প্ৰতিৰোধৰ বাবে শিবিৰ

**ই-সংবাদ, মৰিগাঁও, ২৪ জানুৱাৰীঃ** কুষ্ঠ ৰোগ প্ৰতিৰোধৰ বাবে মৰিগাঁও জিলা ৰোগ প্ৰতিৰোধ বিভাগে বিভিন্ন সজাগতা মূলক কাৰ্যসূচী গ্ৰহণ কৰি অহাৰ মাজতে আজি মৰিগাঁও জি এন এম প্ৰশিক্ষণ কেন্দ্ৰৰ সভাগৃহত কুষ্ঠ ৰোগীৰ অক্ষমতা প্ৰতিৰোধৰ বাবে এটা পৰীক্ষা শিবিৰ অনুষ্ঠিত হৈ যায়। মৰিগাঁও জিলা কুষ্ঠ ৰোগ বিষয়া ডাঃ জয়া বড়োৰ তত্ত্বাৱধানত অনুষ্ঠিত হোৱা পৰীক্ষাৰ শিবিৰটো উদ্বোধন কৰে অসম চৰকাৰৰ অতিৰিক্ত স্বাস্থ্য সেৱা সঞ্চালক ডাঃ ফণী পাঠকে। কুষ্ঠ ৰোগ বিভাগৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ দুলাল মেধি, উচ্চ বৰ্গ সহায়ক অজিত সিংহা, জিলা যক্ষ্মা ৰোগ বিষয়া ডাঃ অমৰজ্যোতি ডেকা আদি কৰি স্বাস্থ্য বিভাগৰ কেইবাজনো বিষয়া-কৰ্মচাৰী উপস্থিত থকা স্বাস্থ্য পৰীক্ষা শিবিৰটোত ২০ জন সন্দেহজনক ৰোগীক পৰীক্ষা কৰা হয় যদিও তেওঁলোকৰ মাজত ৰোগৰ কোনোধৰণৰ লক্ষণ পৰিলক্ষিত নহ'ল। কুষ্ঠ ৰোগীসকলে কেনে ধৰণৰ ব্যায়ামৰ জৰিয়তে উপকৃত হ'ব সেই সন্দৰ্ভত ব্যায়ামৰ কৌশল প্ৰদৰ্শন কৰে ৰূপা বৰাই। ইয়াৰ পিছতেই কুষ্ঠ ৰোগীসকলৰ মাজত কম্বল, আত্মযত্ন সামগ্ৰী বিতৰণ কৰে। ইফালে, জিলা কুষ্ঠ ৰোগ বিষয়া ডাঃ জয়া বড়োৱে আদৰণি ভাষণত কয় যে জনসাধাৰণৰ মাজত সজাগতা বৃদ্ধি হোৱাৰ বাবে আগতকৈ কুষ্ঠ ৰোগীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিছে। ৰোগীসকলে লোকচক্ষুৰ পৰা আঁতৰি নাথাকি নিজে নিজে মুক্ত মনেৰে ওলাই অহাটো শুভলক্ষণ বুলি মন্তব্য কৰি অহা ৩০ জানুৱাৰীৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনুষ্ঠিত হ'বলগীয়া স্পৰ্শ কুষ্ঠ ৰোগ সজাগতা অভিযানত অংশগ্ৰহণৰ আহ্বান জনায়।

# মুছলপুৰত ছাত্ৰীৰ মাজত এছ বি আইৰ চাইকেল বিতৰণ

**ই-সংবাদ, মুছলপুৰ, ২৪ জানুৱাৰীঃ** আজি ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস। কন্যা শিশুৰ বাবে এক সুস্থ আৰু সুৰক্ষিত পৰিৱেশ প্ৰদানৰ গুৰুত্ব আগত ৰাখি আজিৰ দিনটো দেশজুৰি পালন কৰা হয় ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস হিচাপে। একেই উদ্দেশ্য আগত ৰাখি সামাজিক দায়বদ্ধতাৰ পৰিচয় বহনকাৰী এছ বি আয়ে গ্ৰহণ কৰিলে আদৰণীয় পদক্ষেপ। বাক্সা জিলাৰ মুছলপুৰত অৱস্থিত ষ্টেট বেংক অৱ ইণ্ডিয়াৰ ডিজিটেল বেংকিং ইউনিটত আজি ১৪ গৰাকীকৈ ছাত্ৰীক চাইকেল প্ৰদান কৰা হয়। এছ বি আইৰ ৰিজিঅ'ন-ফাইভৰ বৰপেটা আঞ্চলিকৰ প্ৰবন্ধক প্ৰদীপ কুমাৰ পাল, শীৰ্ষ বিষয়া অংকুৰ গোহেনৰ উপস্থিতিত বাক্সাৰ উজিৰবাৰীৰ শ্ৰী শ্ৰী লক্ষ্মী হাইস্কুলৰ ছাত্ৰীসকলৰ মাজত এই চাইকেলসমূহ বিতৰণ কৰা হয়। উক্ত কাৰ্যসূচীত উপস্থিত থাকি আঞ্চলিক প্ৰবন্ধক প্ৰদীপ কুমাৰ পালে এছ বি আয়ে এনেধৰণৰ কাৰ্যসূচীৰ জৰিয়তে অনগ্ৰসৰ অঞ্চলৰ তথা আৰ্থিকভাৱে দুৰ্বল ছাত্ৰীসকলক কিছু সকাহ দিয়াৰ কথা উল্লেখ কৰে। আজিৰ কাৰ্যসূচীত শ্ৰী শ্ৰী লক্ষ্মী হাইস্কুলৰ শিক্ষক-শিক্ষয়িত্ৰী, মুছলপুৰ ডিজিটেল বেংকিং ইউনিটৰ প্ৰবন্ধক অশ্বিনী কুমাৰ নাৰ্জাৰী সহিতে কৰ্মচাৰীসকল উপস্থিত থাকে।

# সমাগত গণৰাজ্য দিৱসৰ বাবে সীমান্তত ব্যাপক নিৰাপত্তা

**ই-সংবাদ, গোলকগঞ্জ, ২৪ জানুৱাৰীঃ** সমাগত গণৰাজ্য দিৱসত নিষিদ্ধ ঘোষিত সংগঠনে কুটাঘাতমূলক কাৰ্য সংঘটিত কৰাৰ আশংকাত ধুবুৰী জিলাৰ গোলকগঞ্জ আৰু আগমনি থানা এলেকাৰ অসম-পশ্চিমবংগ আৰু বাংলাদেশ সীমান্তত ব্যাপক নিৰাপত্তাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। পশ্চিমবংগৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে অসমত প্ৰৱেশ কৰা প্ৰতিখন বাহনত তন্ন তন্ন কৈ তালাচী চলোৱা পৰিলক্ষিত হৈছে। ছাগলীয়া, আগমনি, বেলগুৰি, গৌৰাংগ বজাৰৰ সমীপত আৰক্ষীয়ে দিনে নিশাই তালাচী অব্যাহত ৰাখিছে। জিলা আৰক্ষীৰ উৰ্ধতম বিষয়াই যথেষ্ট গুৰুত্ব সহকাৰে প্ৰতিদিনে তদাৰক কৰা পৰিলক্ষিত হৈছে। ইয়াৰ মাজতে ছাগলীয়াৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে প্ৰৱেশ নকৰি আগমনি থানা আৰু হালাকুৰা আৰক্ষী তালাচী চকী এলেকাৰ ভিতৰুৱা বিকল্প পথসমূহেৰে অসমত প্ৰৱেশ কৰা বাহনসমূহ চিন্তাৰ কাৰণ হৈ পৰিছে। সমান্তৰালকৈ ভাৰত-বাংলাদেশ সীমান্তৰ ৰামৰাইকুঠী, সত্ৰশাল, ঝসকাল, বিষখোৱা, সোনাহাট, লক্ষীমাৰী, নালিয়া, কেদাৰ বিন্নাচৰা আদি সীমান্তত বিএছএফ তীক্ষ্ণ নজৰ ৰাখিছে। কাঁইটীয়া তাঁৰৰ বেৰৰ কাষত পহৰাৰ ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। গোলকগঞ্জ আৰক্ষী আৰু সীমান্তৰ বিএছএফ গংগাধৰ নদীৰ ওপৰতো চোকা নজৰ ৰখা পৰিলক্ষিত হৈছে। শেহতীয়াকৈ ধুবুৰী জিলাত নিয়াই জেহাদীক আটক কৰাৰ লগতে বাংলাদেশত ৰাজনৈতিক পট পৰিবৰ্তন হোৱাৰ বাবে সীমান্ত অঞ্চল স্পৰ্শকাতৰ হৈ পৰিছে। তদুপৰি চোৰাংচোৰাই নিষিদ্ধ সংগঠন আলফা(স্বাধীন) আগন্তুক গণৰাজ্য দিৱসত কুটাঘাতমূলক কাৰ্য সংঘটিত কৰাৰ শংকা ব্যক্ত কৰাৰ পিছতে সীমান্ত অঞ্চলত নিৰাপত্তাৰ ক্ষেত্ৰত অধিক তৎপৰ পৰিছে ধুবুৰী জিলা আৰক্ষী প্ৰশাসন আৰু বিএছএফ। ইয়াৰ সমান্তৰালকৈ অসম আৰু কেন্দ্ৰীয় চৰকাৰৰ কেইবাটাও চোৰাংচোৱা সংস্থা অধিক তৎপৰ হৈ পৰিছে। ইয়াৰ মাজতে আগমনি থানা আৰু হালাকুৰা আৰক্ষী তালাচী চকী এলেকাৰ ভিতৰুৱা বিকল্প পথসমূহেৰে অসমত প্ৰৱেশ কৰা চাৰিচকীয়া বাহনসমূহ চিন্তাৰ কাৰণ হৈ পৰিছে।

# নলবাৰীৰ উদীয়মান কণ্ঠশিল্পী বিপাশা বি শৰ্মাৰ অকাল বিয়োগ

**ই-সংবাদ, নলবাৰী, ২৪ জানুৱাৰীঃ** নলবাৰী কলেজৰ ছাত্ৰী তথা সম্ভাৱনাময় কণ্ঠশিল্পী চহৰৰ মালিকুছিৰ দীনেশ চন্দ্ৰ শৰ্মা আৰু নন্দিতা শৰ্মাৰ কন্যা বিপাশা বি শৰ্মাৰ আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত ছাত্ৰীগৰাকীৰ বয়স আছিল ১৯ বছৰ। নলবাৰী কলেজৰ সংস্কৃত বিভাগৰ ২য় ষাণ্মাসিকৰ ছাত্ৰী বিপাশাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মঞ্চত গীত পৰিৱেশন কৰি কলেজখনকে ধৰি মালিকুছি নলবৰীলৈ সুনাম কঢ়িয়াই আনিছিল। উল্লেখ্য যে বিপাশা মূলতঃ ধ্ৰুপদী সংগীতৰ শিল্পী আছিল। সদ্যসমাপ্ত নলবাৰী ৰাস মহোৎসৱৰ মঞ্চতো তেওঁ কণ্ঠদান কৰে। আজি পুৱাৰ ভাগতে ছাত্ৰীগৰাকীৰ মৃতদেহ নিজ গৃহলৈ অনাৰ লগে লগে লোকে লোকাৰণ্য হৈ পৰে। মালিকুছিৰ বাসভৱনত উপস্থিত হৈ শিল্পীগৰাকীলৈ পুষ্পাঞ্জলি অৰ্পণেৰে শেষ শ্ৰদ্ধা অৰ্পণ কৰে নলবাৰী কলেজৰ অধ্যক্ষ ড০ কমল নয়ন পাটোৱাৰী, শ্যামৰাই সত্ৰৰ সভাপতি ডাঃ অনিমেষ



শৰ্মা, দৌল উদযাপন সমিতিৰ সভাপতি হেমন্ত কুমাৰ বৰ্মন, সাংবাদিক মনোজ শৰ্মা, নলবাৰী কলেজ ছাত্ৰ ইউনিয়ন আৰু স্থানীয় বহু লোকে। দিনৰ বাৰ বজাত নলবাৰী কলেজত শোক সভা অনুষ্ঠিত হয়। দিনৰ ভাগতে শিল্পীগৰাকীৰ অন্ত্যেষ্টিক্ৰিয়া দীঘেলী শ্মশানত সম্পন্ন কৰা হয়।

# নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মৃগাংক বৰালৈ জিলা সভাৰ কৰ্মপ্ৰাণ বঁটা

**ই-সংবাদ, বেবেজীয়া, ২৪ জানুৱাৰীঃ** নগাঁও জিলাৰ অতিকৈ পুৰণি শেৱালি কবি ৰত্নকান্ত বৰকাকতি স্মৃতি বিজড়িত ধিং শতদল শাখা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সম্পাদক তথা বৰ্তমানৰ নগাঁও জিলা সাহিত্য সভাৰ সাংগঠনিক সম্পাদক মৃগাংক বৰালৈ এইবেলি ২০২৪ বৰ্ষৰ কৰ্মপ্ৰাণ বঁটা আগবঢ়াইছে নগাঁও জিলা সাহিত্য সভাই। জাতীয় সংগঠনটোৰ আজীৱন সভ্য, একনিষ্ঠ সেৱক বৰাই বিগত দুটা দশকতকৈ অধিক সময় অসম সাহিত্য সভাৰ সাংগঠনিক দিশত এক অনবদ্য বৰঙণি আগবঢ়াই আহিছে। তদুপৰি সাহিত্য চৰ্চাৰ ক্ষেত্ৰত ধিঙৰ কেইবাখনো বিভিন্ন শিক্ষানুষ্ঠানৰ লগতে ৰাজহুৱা অনুষ্ঠানৰ জয়ন্তী উৎসৱৰ স্মাৰক গ্ৰন্থ সম্পাদনা কৰাৰ উপৰি বৰাৰ বিভিন্ন বিষয়ক প্ৰবন্ধ সংবাদ মাধ্যমত প্ৰকাশিত হৈছে। ছাত্ৰাৱস্থাৰ পৰাই লেখা-মেলা কৰা আৰু ২০২০ বৰ্ষত নগাঁও জিলা সাহিত্য সভাৰ শ্ৰেষ্ঠ সংগঠকৰ বঁটা লাভ কৰা বৰাৰ মননশীল সাহিত্যৰাজিৰ লগতে সামাজিক দায়বদ্ধতা আৰু জাতীয় সংগঠন অসম সাহিত্য সভাৰ অন্যতম জিলা ৰূপে পৰিচিত নগাঁও জিলাৰ সাংগঠনিক পৰিসৰত আগবঢ়োৱা প্ৰত্যয় পূৰ্ণ ভূমিকাৰ বাবেই মৃগাংক বৰাক ২০২৪ বৰ্ষৰ নগাঁও জিলা সাহিত্য সভাৰ কৰ্মপ্ৰাণ বঁটা আগবঢ়োৱা হৈছে বুলি জিলা সাহিত্য সভাৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকাই জানিবলৈ দিছে। কলিয়াবৰত বৃহস্পতিবাৰে অনুষ্ঠিত হোৱা জিলা সাহিত্য সভাৰ অষ্টবিংশতিতম পূৰ্ণাংগ অধিৱেশনৰ মুকলি সভাত বৰাক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই বঁটা লাভ কৰাৰ খবৰে এতিয়া বৰাৰ কৰ্মথলী ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু জন্মভূমি ধিঙৰ বৌদ্ধিক মহলক উৎফুল্লিত কৰি তুলিছে।

# চামগুৰিৰ মাগুৰমাৰিত ড্ৰাগছসহ কিশোৰ আটক

**ই-সংবাদ, পুৰণিগুদাম, ২৪ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ কাৰৈমাৰী আৰক্ষী চকীৰ আৰক্ষীয়ে যোৱা নিশা মাগুৰমাৰি সাপ্তাহিক বজাৰত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ড্ৰাগছসহ এটি কিশোৰক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি সমষ্টিৰ মাগুৰমাৰি অঞ্চলৰ সাপ্তাহিক বজাৰত যোৱা নিশা এক গোপন খবৰৰ ভিত্তিত কাৰৈমাৰী আৰক্ষী চকীৰ এটা আৰক্ষী দলে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে কাৰৈমাৰীৰ কিশোৰজনৰ হাতত ৮ টা ড্ৰাগছ ভৰ্তি কন্টেনাৰ উদ্ধাৰ কৰাৰ লগতে কিশোৰজনক আটক কৰে। আৰক্ষীয়ে ড্ৰাগছসহ আটক কৰা কিশোৰজনক আৰু অধিক তথ্যৰ বাবে কাৰৈমাৰী আৰক্ষী চকীত জেৰা অব্যাহত ৰাখিছে।

# সদৌ অসম গুচ্ছ সাহিত্য সন্মিলনৰ অনলাইন প্ৰতিযোগিতাৰ আয়োজন

**ই-সংবাদ, গুৱাহাটী, ২৪ জানুৱাৰীঃ** অহা ২৮ জানুৱাৰীত বিৰাজ কুমাৰ সোঁৱৰণী প্ৰেক্ষাগৃহ, শিলপুখুৰীত পুৱা ১০ বজাৰ পৰা সদৌ অসম গুচ্ছ সাহিত্য সন্মিলন নামৰ সাহিত্য চৰ্চা গোটৰ দ্বাৰা অনুষ্ঠিত হ'বলগীয়া কেন্দ্ৰীয় দ্বিতীয় বাৰ্ষিকী অধিৱেশনৰ লগত সংগতি ৰাখি স্ব-ৰচিত কবিতা, অণুগল্প আৰু ৰচনা প্ৰতিযোগিতাকে আদি কৰি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে। অহা ২৮ জানুৱাৰী প্ৰতিযোগিতাসমূহত অংশগ্ৰহণৰ শেষ তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। ৰচনা প্ৰতিযোগিতাৰ বাবে 'অসমৰ লোক সংস্কৃতি আৰু ইয়াৰ ওপৰত আধুনিকতাৰ প্ৰভাৱ' বিষয় হিচাপে নিৰ্ধাৰণ কৰি দিয়া হৈছে। ইচ্ছুক প্ৰতিযোগীসকলক অধিক তথ্যৰ বাবে 8473907558, 7002008542 নম্বৰত যোগাযোগ কৰিবৰ বাবে উদ্যোক্তাসকলে অনুৰোধ জনাইছে। উল্লেখ্য যে উক্ত অনুষ্ঠানত 'এক গুচ্ছ' শীৰ্ষক এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব। সেই 'স্মৃতিগ্ৰন্থ'ৰ বাবে লেখক-লেখিকাসকলক ১০ শাৰীৰ ভিতৰত পূৰ্বতে কোনো কাকত-আলোচনীত প্ৰকাশ নোহোৱা এটি কবিতা 9954101887 নম্বৰত ২৮ জানুৱাৰীৰ ভিতৰত প্ৰেৰণ কৰিবলৈ আলোচনী সম্পাদনা সমিতিয়ে অনুৰোধ জনাইছে। অসমৰ বিভিন্ন প্ৰান্তৰ কবি-সাহিত্যিকসকলৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব লগা উক্ত অনুষ্ঠানত সকলোৰে উপস্থিতি আয়োজক সমিতিয়ে কামনা কৰিছে।

# নগাঁৱত ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উদযাপন

**ই-সংবাদ, পুৰণিগুদাম, ২৪ জানুৱাৰীঃ** নগাঁও জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত আজি 'ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস' উদযাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা এক সমদল বাহিৰ কৰা হয় আৰু এই অনুষ্ঠানটি অধ্যক্ষ প্ৰতাপ সিঙে উদ্বোধন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এখনি কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই কাৰ্যসূচী উদ্বোধন কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভানেত্ৰী মঞ্জুৰাণী লস্কৰে আৰু অনুষ্ঠানটোৰ আঁত ধৰে ভূপেন কুমাৰ দাসে। অনুষ্ঠানৰ শেষত অধ্যক্ষ প্ৰতাপ সিঙৰ নেতৃত্বত এখনি সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰে অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ কবিতা বৰুৱাই। অনুষ্ঠানত কন্যা সন্তানৰ গুৰুত্ব সম্পৰ্কে বিযদভাৱে আলোচনা কৰি অৱসৰপ্ৰাপ্ত বিষয় শিক্ষয়িত্ৰী মঞ্জুৰাণী লস্কৰ, বিষয় শিক্ষয়িত্ৰী, পৰিস্মীতা বুঢ়াগোঁহাই ডিএমই, স্বাস্থ্য বিভাগ, নগাঁও আৰু অৱসৰপ্ৰাপ্ত ডিইএমঅ, উদয় চন্দ্ৰ ডেকাই কন্যাসন্তান দিৱসৰ গুৰুত্ব সম্পৰ্কে বক্তব্য আগবঢ়ায়। দ্বীপ কুমাৰ দাসে অনুষ্ঠানটি সুন্দৰ আৰু সফলভাৱে অনুষ্ঠিত কৰাত পূৰ্ণ সহযোগিতা প্ৰদান কৰা বৰক'লা উঃমাঃ বিদ্যালয়ৰ প্ৰধান শিক্ষক, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীক ধন্যবাদ জ্ঞাপন কৰি অনুষ্ঠানৰ সামৰণি মাৰে।

# তিলক গগৈৰ মৃত্যু তিথিত স্বাস্থ্য সজাগতা সভা

**ই-সংবাদ, মৰিয়নি, ২৪ জানুৱাৰীঃ** এক শৰণ মহাপুৰুষীয়া ভাগৱতী সমাজৰ পূব যোৰহাট আঞ্চলিক সমিতিৰ প্ৰধান সম্পাদকৰ দায়িত্বত থকা চেলেংহাট অঞ্চলৰ মগ্ৰৈ গাঁৱৰ তিলক গগৈৰ আজি আদ্য শ্ৰাদ্ধৰ দিনা এক ৰাজহুৱা স্মৃতিচাৰণ আৰু স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত কৰা হয়। সমাজৰ পূব যোৰহাট আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সম্পাদক হিমেন গগৈয়ে আঁত ধৰা অনুষ্ঠানটোত কেন্দ্ৰীয় সভাপতি ইন্দ্ৰেশ্বৰ গগৈ, সম্পাদক চেনিৰাম গগৈ, উপদেষ্টা পূৰ্ণানন্দ গগৈ, আঞ্চলিক সভাপতি মুকুট ফুকন, পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ নকছাৰী শাখাৰ সভাপতি প্ৰদীপ গগৈ, পূব যোৰহাট খণ্ড প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি ললিত গগৈকে ধৰি বহু গণ্য মান্য ব্যক্তি উপস্থিত থাকে। উক্ত আদ্যশ্ৰাদ্ধৰ লগত সংগতি ৰাখি আয়োজন কৰা স্বাস্থ্য সজাগতা আৰু চিকিৎসা সেৱা শিবিৰটোত নকছাৰী উপ-স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক ডাঃ নিলয় প্ৰতিম শইকীয়া আৰু চিকিৎসা কৰ্মী সত্যেন শইকীয়াই বিশেষভাৱে সহযোগ কৰে। উল্লেখ্য যে মানৱদৰদী তিলক গগৈৰ আদ্যশ্ৰাদ্ধত সংগঠনটোৱে এনেদৰে চিকিৎসা শিবিৰ অনুষ্ঠিত কৰাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।

# বৰপেটাত ৰাষ্ট্ৰীয় ভোটাৰ দিৱস ২০২৫ উদযাপন

**ই-সংবাদ, বৰপেটাৰোড, ২৪ জানুৱাৰীঃ** বৰপেটা জিলাত আজি ৰাষ্ট্ৰীয় ভোটাৰ দিৱস উদযাপন কৰা হয়। প্ৰতি বছৰে ২৫ জানুৱাৰীত অনুষ্ঠিত হোৱা এই অনুষ্ঠানত ১৯৫০ চনত প্ৰতিষ্ঠা হোৱা সাংবিধানিক সংস্থা ভাৰতীয় নিৰ্বাচন আয়োগৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে পালন কৰা হয়। বৰপেটা জিলাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্যসূচীত বৰপেটা জিলা প্ৰশাসনে যুৱক-যুৱতীসকলক ভোটদান প্ৰক্ৰিয়াৰ অনুশীলনত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। এই অনুষ্ঠানত নিৰ্বাচনী বিষয়া ঋতুপৰ্ণ বুঢ়াগোহাঁই, এ চি এছ মাধৱ চৌধুৰী কলেজৰ অধ্যক্ষ প্ৰকাশ শৰ্মা, সহকাৰী অধ্যাপক অৱনী কুমাৰ দাস, বৰপেটা জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া, মাধৱ চৌধুৰী কলেজৰ সহকাৰী অধ্যাপক ড০ ৰোমান বৰগোহাঁই আৰু মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। প্ৰতিজন অতিথিয়ে শক্তিশালী গণতন্ত্ৰ গঢ়ি তোলাত ভোটদানৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। বৰপেটা জিলাৰ নিৰ্বাচনী বিষয়াই ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ ওপৰত গুৰুত্ব আৰোপ কৰি ভোটাৰসকলৰ মাজত অধিক সজাগতা বিয়পাই ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণক শক্তিশালী কৰাৰ আহ্বান জনায়।মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰকাশ শৰ্মাই মুক্ত আৰু নিকা গণতন্ত্ৰৰ বাবে নিৰ্বাচনী ব্যৱস্থাৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। সহকাৰী অধ্যাপক অৱনী কুমাৰ দাসে প্ৰতিজন নাগৰিকৰ মতামত যাতে শুনা যায় তাৰ বাবে অংশগ্ৰহণমূলক গণতন্ত্ৰৰ গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁ কয় যে প্ৰতিটো নিৰ্বাচনত সৰ্বাধিক ভোটাৰৰ অংশগ্ৰহণক উৎসাহিত কৰি এইটো সম্ভৱ হ'ব। বৰপেটাৰ জিলা তথ্য আৰু জনসংযোগ বিষয়াই চৰকাৰী ৱেবছাইট আৰু "SVEEP"ৰ দৰে ম'বাইল এপ্লিকেচনৰ জৰিয়তে প্ৰক্ৰিয়াটোৰ বিভিন্ন দিশৰ বিষয়ে অৱগত হ'বলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত আকস্মিক ভাষণ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছিল, য'ত ছাত্ৰ-ছাত্ৰীসকলে ভোটদান প্ৰক্ৰিয়াত অংশগ্ৰহণৰ তাৎপৰ্যৰ বিষয়ে আলোচনা কৰিছিল।

# ৰাবিয়া বেগমলৈ খবৰ অসমৰ 'উদীয়মান লেখিকা বঁটা, ২০২৪'

**ই-সংবাদ, মৈৰাবাৰী, ২৪ জানুৱাৰীঃ** অসমৰ জনপ্ৰিয় ৱেব মিডিয়া 'খবৰ অসম'ৰ প্ৰথমটো প্ৰতিষ্ঠা দিৱস যোৱা ২৩ জানুৱাৰীত শুকদল আঞ্চলিক নাট্য মঞ্চত বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। উক্ত অনুষ্ঠানত মৰিগাঁও জিলাৰ কলমৌবাৰী পঞ্চায়তৰ অন্তৰ্গত বগৰীতলা গাঁৱৰ যুৱ কবি-লেখিকা তথা মৰিগাঁও আইন মহাবিদ্যালয়ৰ ছাত্ৰী ৰাবিয়া বেগমলৈ 'খবৰ অসম' পৰিয়ালৰ তৰফৰ পৰা 'উদীয়মান লেখিকা বঁটা, ২০২৪' প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বেও কবি-লেখিকা ৰাবিয়া বেগমে 'বৰলুইত ফাউণ্ডেচন'ৰ তৰফৰ পৰা 'প্ৰেৰণা বঁটা ২০২২' আৰু লাইফ স্মাৰ্ট ফাউণ্ডেচনৰ তৰফৰ পৰা শংকৰ-আজান সমন্বয় সন্মান বঁটা, ২০২২' লাভ কৰে। উল্লেখ্য যে ৰাবিয়া বেগমে নিজৰ শৈক্ষিক জীৱনৰ সমান্তৰালকৈ সাহিত্য চৰ্চা আৰু সমাজ সেৱামূলক কাম-কাজেৰে সামাজিক মাধ্যমৰ যোগেদি অসমৰ জনসমাজত এক সুকীয়া জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ৰাবিয়া বেগমে ইতিমধ্যে 'শেষ মানেই শেষ নহয়'(প্ৰথম কাব্য সংকলন), 'জীৱনৰ জলছবি' (দ্বিতীয় কাব্যগ্ৰন্থ) আৰু 'নূৰ আল ইছলাম'(তৃতীয় কাব্যগ্ৰন্থ) আদি গ্ৰন্থ প্ৰকাশ কৰি অসমীয়া সাহিত্যৰ ভঁৰাললৈ অনবদ্য অৱদান আগবঢ়াবলৈ সক্ষম হৈছে। তেওঁৰ আন এখন গ্ৰন্থ 'জীৱন তই জয়ী হবি' প্ৰকাশৰ পথত। এনে এগৰাকী প্ৰতিভাৱান কবি-লেখিকাক নিজৰ লক্ষ্য পথত আৰু অধিক আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত প্ৰেৰণা যোগাবলৈ ৱেব মিডিয়া খবৰ অসমে 'উদীয়মান লেখিকা বঁটা প্ৰদান কৰা কাৰ্যক সাহিত্যপ্ৰেমী ৰাইজে প্ৰশংসা কৰিছে।

# মৰিগাঁৱত ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস উদযাপন

**ই-সংবাদ, মৰিগাঁও, ২৪ জানুৱাৰীঃ** মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজি মৰিগাঁৱত ৰাষ্ট্ৰীয় কন্যা সন্তান দিৱস বিস্তৃত কাৰ্যসূচীৰে উদযাপন কৰা হয়। এই উপলক্ষে মৰিগাঁও চহৰৰ পবিতৰা হাট প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত কৰা হয়। সভাখনত সভাপতিত্ব কৰে মৰিগাঁও জিলাৰ অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ তপন শইকীয়াই। সভাখনত অংশগ্ৰহণ কৰি মৰিগাঁও আদালতৰ জ্যেষ্ঠ অধিবক্তা অলকানন্দা কাকতিয়ে ভ্ৰূণ হত্যাৰ অপৰাধ, কন্যা সন্তান সুৰক্ষা আদি আইন সম্পৰ্কত বিস্তৃত বাখ্যা আগবঢ়ায়। সভাত আই চি টি চিৰ কাউন্সিলৰ ৰিমকি ভাগৱতী, মৰিগাঁও জিলা লেখিকা সংস্থাৰ সম্পাদিকা ৰূপা শৰ্মা, স্বাস্থ্য বিষয়া সোণমণি বেজবৰুৱা, মহকুমা চিকিৎসা বিষয়া ডাঃ মনিকা বৰা, সৰ্বশিক্ষা অভিযানৰ সমল ব্যক্তি মৌচুমী বৰকাকতি প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে কন্যা সন্তান দিৱসৰ তাৎপৰ্য আৰু প্ৰাসংগিকতা সম্পৰ্কত ভাষণ প্ৰদান কৰে। এই গাম্ভীৰ্যপূৰ্ণ সভাখনৰ আঁত ধৰে জিলাখনৰ স্বাস্থ্য প্ৰশিক্ষক, বিশিষ্ট কবি সাহিত্যিক জ্যোতিষ বৰ্মন আৰু স্বাস্থ্য বিভাগৰ উচ্চ বৰ্গৰ সহায়ক নয়নজ্যোতি বৰদলৈয়ে। ইফালে, পুৱাৰ ভাগত বেটি বচাও, বেটি পঢ়াও, ভ্ৰূণ হত্যা বন্ধ কৰক আদি শ্ল'গানেৰে হাতে হাতে বেনাৰ ফেষ্টুন লৈ মৰিগাঁও চহৰত এটি শৃংখলাবদ্ধ শোভাযাত্ৰা উলিওৱা হয়।

# বিশিষ্ট সাহিত্যিক ড০ কৰবী ডেকা হাজৰিকাৰ ওপজা দিনত 'দকচিৰি দিৱস'

**ই-সংবাদ, ডিব্ৰুগড়, ২৪ জানুৱাৰীঃ** যোৱা ২৩ জানুৱাৰীত বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, কবি ড০ কৰবী ডেকা হাজৰিকাৰ ওপজা দিন উপলক্ষে সাহিত্যিকগৰাকীৰ শুভাংকাক্ষীসকলে 'দকচিৰি দিৱস' উদযাপন কৰে। এই উদ্দেশ্যে সন্ধিয়া সন্ধ্যা ৭.৩০ বজাত অনলাইন যোগে 'গ্ৰাম'ফোনত অসমীয়া গীত বাণীবন্ধনৰ শতবৰ্ষ ১৯২৪-২০২৪'- শীৰ্ষক বক্তৃতানুষ্ঠানত বক্তা হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট গায়ক, সংগীত শিক্ষক তথা গ্ৰাম'ফোন ৰেকৰ্ডৰ সংগ্ৰাহক উমানন্দ দুৰৰাই। তেওঁৰ বক্তব্যত ১৯২৪ চনৰ পৰা প্ৰায়বোৰ পুৰণি গীত বাণীবদ্ধ কৰা অসমীয়া গীতৰ ৰেকৰ্ড বজাই শুনোৱাৰ লগতে গায়ক, গীতিকাৰসকলৰ বিষয়ে তথ্য সহকাৰে পৰ্যালোচনা আগবঢ়ায়। ইয়াৰ লগতে উমানন্দ দুৰৰাই গীতিকাৰ ড০ কৰবী ডেকা হাজৰিকা ৰচিত 'মনৰে ময়ূৰী নাচে' শীৰ্ষক গীতটিত সুৰ দি কণ্ঠদান কৰে। ড০ কৰবী ডেকা হাজৰিকাই তেওঁৰ বক্তব্যত কয় যে তেওঁৰ মৰমৰ ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষীসকলৰ এই মৰম, স্নেহেই মনত শক্তি যোগান ধৰি জীৱনটো আজিও সজীৱ কৰি ৰাখিছে আৰু ছাত্ৰ-ছাত্ৰীসকলক তেওঁ নিজৰ সন্তানৰ দৰে ভাবে। অনলাইনত থাকি অংশগ্ৰহণ কৰে অসমৰ বিভিন্ন ঠাইৰ ড০ কৰবী ডেকা হাজৰিকাৰ গুণমুগ্ধসকলে। তেওঁৰ শুভাকাংক্ষীসকলৰ একাংশই সাহিত্যিকগৰাকীৰ বাসভৱনত গোট খাই শুভেচ্ছা জ্ঞাপন কৰে আৰু অনুষ্ঠানত ভাগ লয়। বক্তৃতাটি তথ্যসমৃদ্ধ আৰু শুৱলা হোৱাত শ্ৰোতাসকল উপকৃত হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে। এই অনলাইন অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকা, ঝৰ্ণা শইকীয়া, চেনিৰাম বৰা, দীপা গোস্বামী, নৰেন গোস্বামী, ডাঃ কৃষ্ণপ্ৰসাদ দত্ত, ড০ মৃণাল কুমাৰ বৰুৱা আদি বিশিষ্ট ব্যক্তিসকলৰ লগতে দকচিৰিৰ সদস্যসকলে অংশগ্ৰহণ কৰে।

# হোজাইৰ সৰ্বৰহী নাগৰিক, হাম হাস্পতালৰ জ্যেষ্ঠ গাণনিক বিষয়াৰ মৃত্যু

**ই-সংবাদ, মোৰাঝাৰ, ২৪ জানুৱাৰীঃ** হোজাইৰ হাজী আব্দুল মজিদ স্মাৰক দাতব্য চিকিৎসালয় চমুকৈ 'হাম' হস্পিতালৰ প্ৰজেক্ট মেনেজাৰ তথা গাণনিক বিষয়া হিচাপে কৰ্তব্যৰত আলাউদ্দিন আহমেদে (৫৭) আজি পুৱা ৯:৪৭ বজাত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। আলাউদ্দিন অতিশয় দয়ালু তথা মানৱ দৰদী ব্যক্তি আছিল। তেওঁৰ মৃত্যুৰ খবৰ চৌদিশে বিয়পি পৰাৰ লগে লগে হোজাই জিলাৰ সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ বিয়পি পৰে। তেওঁ আৰম্ভণিত ইছলাম নগৰ হাইস্কুলত শিক্ষকতা কৰিছিল। আহমেদৰ বিয়োগত আজমল চিএছআৰৰ মুৰব্বী তথা ধুবুৰীৰ প্ৰাক্তন সাংসদ মৌলানা বদৰুদ্দিন আজমল, বিধায়ক ছিৰাজুদ্দিন আজমল, হাম ট্ৰাষ্টীৰ হৈ শ্বহিদ হুছেইন, হাম চিকিৎসালয়ৰ চিএমডি ডাঃ চি. ইছলাম, জ্যেষ্ঠ চিকিৎসক ডা: আল হিলাল চৌধুৰী, ডা: আদিত্য লাংথাচা আৰু বিষয়া মাণিক তালুকদাৰ, আজমল ফাউণ্ডেচনৰ সঞ্চালক ড০ খচৰুল্ল ইছলাম, মৰ্কজুল মাআৰিফৰ ড০ ছামচুল হক চৌধুৰী, সভাপতি প্ৰফেচাৰ ৰশ্বিদ আহমেদ, খলিলুৰ ৰহমান লস্কৰ, হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ফাইজ মহম্মদ বৰভুঞা, সম্পাদক ৰাজেশ বোস, নীলবাগান প্ৰেছ ক্লাবৰ হৈ কফিল উদ্দিন বৰভুঞা, বাচিত আলম চৌধুৰী, হোজাই প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক কিশলয় দেৱ গোস্বামী, আব্দুল হাচিব এইচ এছ স্কুলৰ অধ্যক্ষ আব্দুল ৰব, জোনাকী নিউজ চেণ্টাৰকে ধৰি বিভিন্ন ব্যক্তি আৰু দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। আজি বিয়লি ৪ঃ১০ বজাত ডিমৰুপাৰৰ (চিকাৰীবাৰী) মৃত আলাউদ্দিনৰ নিজ ঘৰৰ সন্মুখৰ কৃষি পথাৰত কেইবা হাজাৰ লোকৰ উপস্থিতিত শেষকৃত্য সম্পন্ন কৰা হয়।

# কুড়মালি ভাষা, সংস্কৃতিৰ আলোচনা সভা সম্পন্ন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৪ জানুৱাৰীঃ** ডিব্ৰুগড় জিলাৰ অন্তৰ্গত চাবুৱা মেৰেলীপথাৰ গাঁৱত কুড়মালি ভাষা আৰু সংস্কৃতি সন্দৰ্ভত এখনি আলোচনা অনুষ্ঠিত হৈ যায়। অসম কুড়মি মাহত্ব সমাজ, অসম কুড়মালি সাহিত্য সভা আৰু অসম কুড়মি ছাত্ৰ সন্থাৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা আলোচনা সভাত এখনি তিনিদিনীয়া আলোচনা চক্ৰ আয়োজন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সমাজসেৱিকা বৰ্ণালী কুড়মিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা আলোচনা সভাখনৰ আঁত ধৰে কুড়মালি সাহিত্য সভাৰ প্ৰধান সম্পাদক সুৰেশ কুড়মিয়ে। সভাত অসম কুড়মি-মাহত্ব সমাজৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনু কুড়মিয়ে কুড়মালি ভাষা আৰু সংস্কৃতি সুৰক্ষিত কৰিবৰ বাবে আলোচনা চক্ৰ আৰু বিশেষ কৰ্মশালাৰ প্ৰয়োজনীয়তা ওপৰত বক্তৃতা প্ৰদান কৰে। অসম কুড়মি ছাত্ৰ সন্থা কেন্দ্ৰীয় সমিতিৰ সভাপতি প্ৰকাশ কুড়মিয়ে অনুষ্ঠিত হ'বলগীয়া আলোচনা চক্ৰটি তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰাৰ লগতে ঝাড়খণ্ড আৰু পশ্চিম বংগৰ ৰাজ্যৰ কুড়মালি ভাষাৰ গৱেষক সকলক অতিথি তথা আলোচক ৰূপে আমন্ত্ৰণ জনোৱাৰ প্ৰস্তাৱ আগবঢ়ায়। অসম কুড়মি ছাত্ৰ সন্থাৰ উপদেষ্টা আদিত্য ৰঞ্জন কুড়মিয়ে আলোচনা চক্ৰত অসমৰ সাহিত্যিক গৱেষকসকলকো আমন্ত্ৰণ জনালে উপকৃত হ'ব পৰা যাব বুলি মতপোষণ কৰাৰ লগতে প্ৰতিনিধিসকলৰ তিনিদিনৰ থকা-মেলাৰ ব্যৱস্থা বিষয়ৰ ওপৰতো আলোচনা কৰা হয়। কুড়মালি সাহিত্য সভা চৰাইদেউ জিলাৰ সম্পাদক বিকি কুড়মিয়ে আলোচনা সভাত নিজৰ মতামত আগবঢ়ায়। আলোচনা সভাত ভালেকেইগৰাকী সন্মানীয় ব্যক্তিয়ে নিজা নিজা মতামত আৰু সু-পৰামৰ্শ আগবঢ়োৱাৰ পিছতে সভাখনিত আলোচনা চক্ৰৰ বাবে এখনি উদযাপন সমিতি গঠন কৰা হয়। ৰাহুল কুড়মিক উদযাপন সমিতিৰ সভাপতি হিচাপে লৈ ৰাজু কুড়মিক উপ-সভাপতি, বৰ্ণালী কুড়মিক উপ-সভানেত্ৰী, বিকি কুড়মিক সম্পাদক, বিনোদ কুড়মিক সহ সম্পাদক দায়িত্ব অৰ্পণ কৰা হয়। অনুষ্ঠিত হ'ব লগা আলোচনা চক্ৰখনিৰ দিন, বাৰ আৰু স্থান সম্পৰ্কত উদযাপন সমিতিয়ে সিদ্ধান্ত কৰি প্ৰকাশ কৰিব বুলি সভাই জানিবলৈ দিয়ে।

# সদৌ অসম মটক ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস সম্পন্ন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৪ জানুৱাৰীঃ** সদৌ অসম মটক ছাত্ৰ সন্থাৰ ২৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস এদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। চাবুৱাৰ পানীতোলা জনপ্ৰিয় যুৱক সংঘৰ খেলপথাৰত অনুষ্ঠিত মটক ছাত্ৰ সন্থাৰ ২৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসত সংগঠনৰ পতাকা উত্তোলন, জাতীয় শ্বহীদসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। দিনৰ ভাগত অনুষ্ঠিত মুকলি সভাত কেবিনেট মন্ত্ৰী অতুল বৰা, বিশিষ্ট সমাজকৰ্মী ড০ দয়ানন্দ শ্বাহ উপস্থিত থাকে। এই সভাতে বিগত বৰ্ষৰ দৰে এইবেলিও 'বেংমৰা সমন্বয় বঁটা' প্ৰদান কৰা হয়। অগপৰ সভাপতি তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী অতুল বৰাক 'বেংমৰা সমন্বয় বঁটা' প্ৰদান কৰা হয়। 'বেংমৰা সমন্বয় বঁটা'ত এখন মটক জনগোষ্ঠীৰ গামোচা, এখন চেলেং, মটক জনগোষ্ঠীৰ জাতীয় সাজ-পাৰ, পাগুৰি, শৰাই, এখন হেংদাং, জাপি, সম্বৰ্ধনা পত্ৰ আৰু নগদ ১ লাখ টকাৰ চেক প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি মুকলি সভাত ভাষণত মন্ত্ৰী বৰাই কয় যে মটক ৰজা সৰ্বানন্দ সিংহই বেংমৰা মটক ৰাজ্য প্ৰতিষ্ঠা কৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত সমন্বয়ৰ সেতু গঢ়িছিল। যি ধৰণে সুশাসন, বীৰত্ব আৰু আদৰ্শ দেখুৱাই গৈছিল সেই আদৰ্শক সাৰোগত কৰি সদৌ অসম মটক ছাত্ৰ সন্থাই অসমৰ সমাজ জীৱনলৈ বিশেষভাৱে অৱদান আগবঢ়াই গৈছে। এই মুকলি সভাত লাহোৱালৰ বিশিষ্ট সমাজকৰ্মী ড০ দয়ানন্দ শ্বাহক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে সদৌ অসম মটক ছাত্ৰ সন্থাই। ২৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস পালন কৰি মঞ্চত বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয় বিশিষ্ট সমাজকৰ্মী তথা এছ কে এছ ইংলিছ একাডেমিৰ মুখ্য পৰিচালন সঞ্চালক ড০ দয়ানন্দ শ্বাহক। লাহোৱালৰ ডিব্ৰুৱাল চাংমাই গাঁৱৰ প্ৰয়াত শিৱকান্ত শ্বাহ আৰু প্ৰয়াত লক্ষীদেৱী শ্বাহৰ সুযোগ্য সন্তান ড০ দয়ানন্দ শ্বাহে সদৌ অসম মটক ছাত্ৰ সন্থাই জনগোষ্ঠীটোৰ বাবে আত্মবিশ্বাস আৰু সাহসেৰে যুঁজ দিয়া বুলি কয়। আনহাতে, সন্ধিয়া অনুষ্ঠিত মুকলি সভাত আছাম টকছ আৰু দৈনিক অসম কাকতৰ সাংবাদিক তপন কুমাৰ শইকীয়াক সম্বৰ্ধনা জ্ঞাপন কৰে সদৌ অসম মটক ছাত্ৰ সন্থাই। যুৱ সাংবাদিকগৰাকীক এখন মটক গামোচা, চেলেং, মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। উক্ত মুকলি সভাত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, অগপৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জ্যোতিমণি মৰাণৰ লগতে বহুকেইজন গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# মাজুলীত অনুষ্ঠিত হ'ব সদৌ অসম শিশু ভাওনা সমাৰোহ

**ই-সংবাদ, মাজুলী, ২৪ জানুৱাৰীঃ** সত্ৰপীঠ মাজুলীত আয়োজন কৰা হৈছে সদৌ অসম শিশু ভাওনা সমাৰোহ। মধ্য মাজুলী শিল্পী সমাজৰ উদ্যোগত মাজুলীবাসী ৰাইজ তথা অসমবাসী ৰাইজৰ সহযোগত অসম শিশু ভাওনা সমাৰোহ ২০২৫ শংকৰ-মাধৱ মিলন ক্ষেত্ৰ নামকৰণ স্থান, ভোগপুৰ- বেঙেনাআটী সত্ৰৰ সমিপত অনুষ্ঠিত হ'ব। ১৫ দিনীয়াকৈ আয়োজন কৰা এই সমাৰোহ প্ৰসংগত আজি এখন গুৰুত্বপূৰ্ণ সভাৰ যোগেদি চূড়ান্ত তাৰিখ ঘোষণা কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত কৰা হয়। উদযাপন সমিতিৰ সভাপতি বেঙেনাআটী সত্ৰৰ ডেকা সত্ৰাধিকাৰ শ্ৰীটুটু গোস্বামীৰ সভাপতিত্বত সত্ৰখনিৰ অতিথিশালাত আজি দিনৰ ১.০০ বজাৰ পৰা অনুষ্ঠিত সভাই অসম শিশু ভাওনা সমাৰোহ ২০২৫ ৰ তাৰিখ আনুষ্ঠানিকভাৱে ঘোষণা কৰে। চলিত বৰ্ষৰ ১৪ ডিচেম্বৰৰ পৰা ২৮ ডিচেম্বৰলৈ ১৫ দিনীয়াকৈ আয়োজিত কৰাৰ সিদ্ধান্ত কৰে। প্ৰতিযোগিতামূলকভাৱে আয়োজন কৰা সমাৰোহৰ বাবে নাটৰক পাণ্ডুলিপি জমাদিয়াৰ তাৰিখ আহা ফেব্ৰুৱাৰী মাহৰ ১ তাৰিখৰ পৰা মাৰ্চ মাহৰ ১৫ তাৰিখ ধাৰ্য কৰা হৈছে। আজিৰ সভাত সাংস্কৃতিক সমিতিৰ সভাপতি প্ৰভাত বুঢ়া ভকতে ভাওনা সমাৰোহৰ নিয়মাৱলী সভাৰ জ্ঞাতাৰ্থে পাঠ কৰে। প্ৰতিযোগিতৰ নাটকসমূহ গায়ন-বায়নৰ পৰা চাৰি ঘণ্টাৰ ভিতৰত সম্পন্ন কৰিব পৰাকৈ যুগুত কৰিব লাগিব। নাটককে ধৰি প্ৰয়োজনীয় দিহা পৰামৰ্শ পাবলৈ ৯১৯১১৮৮৯৪৭/৯৮৬৪৯০২৪৫৬/৬০০০৩০৩৪৮৫/৮৬৩৮৭৪০৯৩৮ ফোনম্বৰত যোগাযোগ কৰাৰ বাবে আহ্বান জনায়। নাটকৰ পাণ্ডুলিপিসমূহ কৃষ্ণ বৰা, বেঙেনাআটী, ডাক— বেঙেনাআটী সত্ৰ, জিলা— মাজুলী, সুচকাংক- ৭৮৫১০৬ ত প্ৰেৰণৰ কৰিবলৈ আহ্বান জনায়।

# নলবাৰীত ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস পালন

**ই-সংবাদ, নলবাৰী, ২৪ জানুৱাৰীঃ** ৰাষ্ট্ৰীয় কন্যা শিশু দিৱস-২০২৫ উদযাপনৰ অংশ স্বৰূপে আজি নলবাৰী জিলা আযুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা আযুক্ত বৰ্ণালী ডেকাৰ এক অভিনৱ চিন্তাধাৰাৰ প্ৰতিফলনেৰে জিলা নাৰী আৰু শিশু কল্যাণ বিভাগৰ তৰফৰ পৰা 'বেটি বচাও বেটি পঢ়াও'ৰ অধীনত স্কুলীয়া ছাত্ৰীক সৱলীকৰণ আৰু নিজৰ মন পছন্দৰ কৰ্ম সংস্থাপন বাচি লোৱাৰ ক্ষেত্ৰত সহায় হোৱাকৈ তথা অনুপ্ৰাণিত কৰাৰ বাবে এক বিশেষ পৰামৰ্শমূলক বাৰ্তালাপ অনুষ্ঠান আৰু চলিত বৰ্ষক অসম চৰকাৰৰ 'কিতাপৰ বৰ্ষ' হিচাপে ঘোষণাৰ সৈতে সামঞ্জস্য ৰাখি এক 'কিতাপ পঢ়া ক্লাব' অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত নলবাৰী সদৰৰ তিনিখনকৈ বিদ্যালয় ক্ৰমে- চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা বিদ্যালয়ৰ ২৮ গৰাকীকৈ ছাত্ৰীয়ে এই বিশেষ অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। জিলা আযুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত বাৰ্তালাপ অনুষ্ঠানটোত জিলা আযুক্ত ডেকাই ছাত্ৰীসকলক নিজৰ জীৱনৰ লক্ষ্যক বাস্তবায়িত কৰাৰ বাবে একাগ্ৰচিত্তে নিজৰ কৰ্তব্য কৰি যাবলৈ কয় আৰু নিজৰ পাঠ্যক্ৰমৰ উপৰি অন্যান্য কিতাপ পঢ়াৰো এক অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায়। উক্ত অনুষ্ঠানত প্ৰশাসনৰ আন বিষয়াসকলেও ছাত্ৰীসকলক নিজৰ জীৱনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উৎসাহজনক বক্তব্য ৰাখে। অনুষ্ঠানত জিলা আযুক্ত ডেকাই প্ৰতিগৰাকী ছাত্ৰীকে সাহিত্য তথা কিতাপৰ প্ৰতি প্ৰেমৰ পোষকতা কৰিবলৈ ডেল কাৰ্নেগীৰ জীৱনৰ প্ৰতি যোগাত্মক চিন্তাধাৰাৰ ওপৰত আধাৰিত কিতাপ উপহাৰ দিয়ে। বাৰ্তালাপ অনুষ্ঠানৰ পূৰ্বে জিলা আযুক্ত ডেকাই তেওঁৰ নিজা কাৰ্যালয় কোঠাত তিনিগৰাকীকৈ ছাত্ৰীৰ সৈতে তেওঁলোকৰ প্ৰিয় গ্ৰন্থৰ ওপৰত চৰ্চা কৰি তেওঁলোকৰ কেৰিয়াৰ সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ দিয়াৰ লগতে প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়ায় আৰু নিজৰ জীৱনৰ সৰু ডাঙৰ অভিজ্ঞতাৰ কথাৰে তেওঁলোকক উৎসাহিত কৰে। আযুক্তৰ কাৰ্যালয়ৰ মহিলা বিষয়া ক্ৰমে-অতিৰিক্ত আযুক্তসকল, সহকাৰী আযুক্তসকল, নিৰ্বাচনী বিষয়া, জিলা কোষাগাৰ বিষয়া আৰু পশ্চিম নলবাৰী খণ্ড উন্নয়ন বিষয়াই পৃথক পৃথক কোঠাত তিনি-চাৰিজনীয়া ছাত্ৰীৰ দলৰ সৈতে পৰামৰ্শমূলক বাৰ্তালাপ কৰে আৰু কিতাপৰ ওপৰত চৰ্চা কৰে। আজিৰ অনুষ্ঠানত অংশ লোৱা ছাত্ৰীসকলে এই অনুষ্ঠানত অংশগ্ৰহণ কৰি অতি আনন্দিত বুলি নিজৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে জিলা প্ৰশাসনক এনে অভিনৱ প্ৰচেষ্টাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। আজিৰ অনুষ্ঠানে ছাত্ৰীসকলৰ মাজত অধ্যয়নৰ গুৰুত্ব বৃদ্ধি কৰাৰ লগতে কিতাপৰ প্ৰতি এক আকৰ্ষণ বৃদ্ধি কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে।

# কলিতা আলপাইন জনগোষ্ঠী সন্মিলন তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, ডুমডুমা, ২৪ জানুৱাৰী :** কলিতা জনগোষ্ঠীৰ জ্যেষ্ঠ সংগঠন সদৌ অসম কলিতা আলপাইন জনগোষ্ঠী সন্মিলনৰ তিনিচুকীয়া জিলা সমিতিৰ এখন সাধাৰণ সভা ও প্ৰতিনিধি সভা আজি কলিতা জনগোষ্ঠী যুৱ-ছাত্ৰ পৰিষদৰ সহযোগত পৰিষদৰ কাকপথাৰস্থিত কাৰ্য্যালয় (কলিতা ভৱন) ত অনুষ্ঠিত হয়। সভাত কেন্দ্ৰীয় সমিতিৰ ক্ৰীড়া সম্পাদক ধৰণী শইকীয়াৰ লগতে জিলা সমিতিৰ কেইবাজনো উপদেষ্টা উপস্থিত থাকে। সভাত সৰ্বসন্মতিক্ৰমে তৰুণ কলিতাক সভাপতি, জিতুমনি শইকীয়াক সাধাৰণ সম্পাদক, জয়সূৰ্য্য বৰাক মুখ্য উপদেষ্টা, সুৰুজ কুমাৰ তালুকদাৰ, প্ৰসেনজিৎ কাকতি আৰু প্ৰাঞ্জল বৰাক উপদেষ্টা হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰা হয়। সভাত অনাগত দিনত তিনিচুকীয়া জিলাত বসবাস কৰা কলিতা ৰাইজৰ উন্নয়নৰ বাবে সদায় কলিতা সন্মিলন আৰু কলিতা যুৱ-ছাত্ৰ পৰিষদে একেলগে কাম কৰি যোৱাৰ কথা সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে।

# চামগুৰিত চোৰাং গৰুসহ গাড়ী আৰু তিনিজনক আটক

**ই-সংবাদ, পুৰণিগুদাম, ২৪ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে চোৰাং গৰুৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখি যোৱা নিশা চামগুৰিৰ সোণাৰিবালি অঞ্চলৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই চোৰাং গৰুসহ এখন গাড়ী জব্দ কৰাৰ লগতে তিনিজন লোকক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ এটা আৰক্ষী দলে যোৱা নিশা চামগুৰিৰ সোণাৰিবালি অঞ্চলৰ সমীপৰ ৰাষ্ট্ৰীয় ঘাইপথত চোৰাং গৰুৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত শিৰস্থান অঞ্চলৰ দিশৰ পৰা এএছ-০২ ডি- চি-১৩৪৯ নম্বৰৰ এখন বলেৰো পিকআপ গাড়ীখনত ১৪ টা চোৰাং গৰু কঢ়িয়াই আনি থকা অৱস্থাত আৰক্ষীৰ দলটোৱে জব্দ কৰাৰ লগতে ৱেহি আহমেদ মুকছেদ আলী আৰু ইক্ৰামুল ইছলাম নামৰ তিনিজন লোকক আটক কৰে। আৰক্ষীয়ে জব্দ কৰা চোৰাং গৰু কেইটা পৰৱৰ্তী সময়ত নগাঁও গো-শালালৈ প্ৰেৰণ কৰাৰ লগতে আটক কৰা তিনিজন লোকক আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# ত্ৰিবেণী আঞ্চলিক গৰখীয়া মন্দিৰত গৰখীয়া সভা সম্পন্ন

**ই-সংবাদ, দুমুনিচকী, ২৪ জানুৱাৰীঃ** দৰং জিলাৰ দুমুনিচকী সমীপৰ খাচ-সোণাপুৰ গাঁৱৰ গো-চৰণীয়া পথাৰৰ সমীপৰ শয়ণ ক্ষেত্ৰত ত্ৰিবেণী আঞ্চলিক গৰখীয়া মন্দিৰত স'লপাম, বদিয়াসিঁচা, খাচ-সোণাপুৰ আঞ্চলিক ৰাইজৰ সহযোগত দ্বিতীয় বাৰ্ষিক গৰখীয়া সভাখনি এদিনীয়া কাৰ্যসূচীৰে আজি সম্পন্ন হৈ যায়। কাৰ্যসূচী অনুসৰি পুৱা পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপণ কৰা হয়। বন্তি প্ৰজ্বলন অনুষ্ঠানৰ পিছত মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি যাদৱ চন্দ্ৰ শইকীয়াই ধৰ্মধ্বজা উত্তোলন কৰে। ইয়াৰ পিছতে ভাগৱত পাঠ, স্থানীয় আয়তীসকলৰ নাম প্ৰদৰ্শন আদি কাৰ্যসূচী ৰূপায়িত হয়। আবেলি ভনিতা নাথ আৰু সংগীবৃন্দৰ নাগাৰা নাম প্ৰদৰ্শন। নাগাৰা নাম উদ্বোধন কৰে যুৱ সমাজকৰ্মী হলধৰ নাথে। নাম পৰিৱেশনৰ পিছত সমূহীয়া প্ৰাৰ্থনাৰে অন্ত পৰে ত্ৰিবেণী আঞ্চলিক গৰখীয়া মন্দিৰত গৰখীয়া সভাখন।

# বাঘমাৰা চৰ সমবায় সমিতিৰ সঞ্চালক মণ্ডলী পুনৰ গঠনৰ নিৰ্দেশ

**ই-সংবাদ, শিমলীতোলা, ২৪ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাবা চৰ সমবায় সমিতিৰ শেহতীয়াকৈ নিৰ্বাচিত সদস্য/সদস্যাসকলৰ সঞ্চালক মণ্ডলী গঠন প্ৰক্ৰিয়া নিয়ম বৰ্হিভূতভাৱে কৰাৰ কথা ঘোষণা কৰিছে সমবায় বিভাগৰ পঞ্জীয়ক বিষয়াই। যোৱা ২৯ ডিচেম্বৰত অনুষ্ঠিত নিৰ্বাচনৰ পিছত নৱনিৰ্বাচিত সদস্য/সদস্যাসকলে যোৱা ১১ জানুৱাৰীত প্ৰথমখন বৈঠক অনুষ্ঠিত কৰি এম মুছুৰুদ্দিন আহমেদক সভাপতি আৰু ৰফিকুল ইছলামক উপ-সভাপতি হিচাপে বাছনি কৰি সঞ্চালক মণ্ডলী গঠন কৰিছিল যদিও সঞ্চালক মণ্ডলী গঠন প্ৰক্ৰিয়া প্ৰক্ৰিয়া সমবায় আইনৰ ১০ নং ধাৰাৰ ৬ নং অনুচ্ছেদ পৰিপন্থী হোৱাৰ ফলত সভাত নৱ নিৰ্বাচিত পাঁচগৰাকী সদস্য/সদস্যাৰ যোৱা ১৫ জানুৱাৰীত সমবায় বিভাগৰ বৰপেটা উপ-পঞ্জীয়কৰ কাৰ্যালয়ত দাখিল কৰা অভিযোগৰ ভিত্তিত দুজনীয়া তদন্তকাৰী দলে সমগ্ৰ বিষয়টো তদন্ত কৰি বিভাগীয়ভাৱে প্ৰতিবেদন দাখিলৰ পিছতে সমবায় বিভাগে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। তদন্ত কমিটীৰ তদন্তৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি সমবায় বিভাগৰ বৰপেটা জিলাৰ উপ-পঞ্জীয়ক বিষয়াৰ কাৰ্যালয়ৰ সহকাৰী পঞ্জীয়ক কে দাসে নীতি বহিৰ্ভূতভাৱে গঠন কৰা সঞ্চালক মণ্ডলী পুনৰ গঠনৰ বাবে সমবায় বিভাগৰ সকলো নীতি নিৰ্দেশনা মানি অহা ৩০ জানুৱাৰীত পুনৰ সভা আহ্বান কৰিবলৈ বাঘমাবাচৰ সমবায় সমিতিৰ সম্পাদক ৰিপণ আলী সৰকাৰক নিৰ্দেশ দিয়ে। এই সভাখনতে আগন্তুক পাঁচ বছৰীয়া কাৰ্যকালৰ বাবে বাঘমাৰাচৰ সমবায় সমিতিৰ সভাপতি, উপ-সভাপতি ধৰি পূৰ্ণাংগ সঞ্চালক মণ্ডলী গঠন প্ৰক্ৰিয়া সম্পন্ন কৰিব নৱ নিৰ্বাচিত দস্যাসকলে।

# নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত চলি থকা যুৱ মহোৎসৱত অঘটন, এজাহাৰ দাখিল

**ই-সংবাদ, গেলেকী, ২৪ জানুৱাৰীঃ** নামতি শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত চলি থকা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত এক অপ্ৰীতিকৰ ঘটনা সংঘটিত হয়। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিক শাৰীৰিকভাৱে প্ৰহাৰ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। সভাপতি যুগল কিশোৰ গগৈক প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে একাংশ উদণ্ড যুৱকৰ দ্বাৰা। যোৱা নিশা প্ৰায় ১১ বজাত একাংশ যুৱকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভাপতিজনক প্ৰহাৰ কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ। যোৱা নিশা অনুষ্ঠিত হোৱা নাটকৰ প্ৰতিযোগিতা চলি থকা সময়তে সৃষ্টি হয় এই মাৰপিটৰ ঘটনা। নামতি মহাবিদ্যালয় কৰ্তৃপক্ষই এই সন্দৰ্ভত প্ৰথম পৰ্যায়ত ব্যৱস্থা নোলোৱাত আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে গ্ৰহণ কৰে প্ৰতিবাদী কাৰ্যসূচী। আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী গ্ৰহণ কৰে। যোৱা নিশা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এই নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি থকাৰ সময়তে একাংশ যুৱকে অশ্লীল বাক্য প্ৰয়োগ কৰাত সভাপতি যুগল কিশোৰ গগৈয়ে শান্ত কৰিবলৈ চেষ্টা কৰে বুলি জানিব পৰা গৈছে। কিন্তু পৰৱৰ্তী সময়ত সভাপতি যুগল কিশোৰ গগৈক উদণ্ড যুৱকে বুকু, মুখ, পেটত ঘুচিয়াই আঘাতপ্ৰাপ্ত কৰে বুলি সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰিছে। প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি ছাত্ৰসকলে আমাক ন্যায় লাগে শ্ল'গান দি সাংস্কৃতিক কাৰ্যসূচী বৰ্জন কৰে। ইয়াৰ পিছতে নামতি মহাবিদ্যালয়ৰ অধ্যক্ষই নামতি আৰক্ষী থানাত ঘটনাৰ সন্দৰ্ভত এখন এজাহাৰ দাখিল কৰে।

# ডুমডুমাত 'সঁহাৰি'ৰ উদ্যোগত বস্ত্ৰ বিতৰণ কাৰ্যসূচী

**ই-সংবাদ, ডুমডুমা, ২৪ জানুৱাৰীঃ** চাহ নগৰী ডুমডুমাৰ সামাজিক মঞ্চ "সঁহাৰি"ৰ উদ্যোগত আজি ৭৬ সংখ্যক গণতন্ত্ৰ দিৱসৰ লগত সংগতি ৰাখি ইয়াৰ সমীপৰ বিছাকুপি চাহ বাগিচাৰ ২ নং লাইনত আৰ্থিকভাৱে দুৰ্বল লোকৰ মাজত এক বস্ত্ৰ বিতৰণ কাৰ্যসূচী গ্ৰহণ কৰা হয়। কাৰ্যসূচীত ল'ৰা-ছোৱালী, মহিলা আৰু বৃদ্ধসকলৰ মাজত কম্বল, ছুৱেটাৰ, জেকেট, টুপী, লংপেন্ট, ছোলা, চাদৰ, জোতা, মোজা, ট্ৰাংক, ব্ৰিফকেষ্ট, বজাৰ কৰা বেগ ইত্যাদি সামগ্ৰী বিতৰণ কৰে। সঁহাৰিৰ এই কাৰ্যসূচীত ৰাজু বৰুৱা, শৈলেন শৰ্মা, ডাঃ মীনা দেৱী বৰুৱা, ডাঃ কাবেৰী বৰপূজাৰী শৰ্মা, জিতু শৰ্মা, বিমলা বৰুৱা, ডাঃ পদ্মাক্ষী কাকতি, দেবেন মনু ডেকা, ললিতা ডেকা, দ্বিজেন শৰ্মা, জোনালী শইকীয়া ডেকা, উজ্জ্বল সন্দিকৈ, দীনেশ ঝা, ডাঃ দীপক কুমাৰ মহন্ত, গীতিৰেখা দত্ত মহন্ত, চুমি গুপ্তা, পাপৰি সন্দিকৈ, জ্যোতিমণি দত্ত, কাকলি দেৱী বৰুৱা, মালা বৰুৱা কাকতি, সীমা ফাটোৱালী, কবিতা শইকীয়া দাস, সীমা গোৱালা আদিয়ে সঁহাৰি জনায় তথা বস্ত্ৰসমূহ যোগান ধৰে। সঁহাৰিৰ সদস্যসকলে দৰিদ্ৰ লোকসকলৰ বাবে প্ৰতি বছৰে গ্ৰহণ কৰা এনে কাৰ্যসূচীক স্থানীয় ৰাইজে ভূয়সী প্ৰসংশা কৰে। বস্ত্ৰ গ্ৰহণ কৰা লোকসকলে বস্ত্ৰ দাতাসকলৰ বদান্যতাক কৃতজ্ঞতা জনায়। আজিৰ এই কাৰ্যসূচীত উদ্যোক্তাসকলৰ হৈ অংশগ্ৰহণ কৰে সম্পাদক ৰাতুল গগৈ, কোষাধ্যক্ষ দ্বিজেন শৰ্মা, ৰাজু বৰুৱা, সাংবাদিক ললিত তাঁতী, ডুমডুমা মহাবিদ্যালয়ৰ অধ্যাপিকা পাপৰি সন্দিকৈ, দীপ্তাশ্ৰী গগৈ, মনালী মাউতকে প্ৰমুখ্য কৰি সঁহাৰিৰ কৰ্মকৰ্তাসকল। কাৰ্যসূচী মুকলি কৰে শিক্ষাবিদ তথা জ্যেষ্ঠ সাংবাদিক অৰ্জুন বৰুৱাই। সভাত অৰ্জুন বৰুৱা, দ্বিজেন শৰ্মা, ললিত তাঁতীয়ে বক্তব্য প্ৰদান কৰে। কাইলৈ ডুমডুমা বিছাকুপি চাহ বাগিচাৰ ২৫ নং লাইনত অনুৰূপ কাৰ্যসূচী হাতত ল'ব বুলি জানিবলৈ দিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# জক'ভিচৰ স্বপ্ন ভংগ আঘাতৰ বাবে অষ্ট্ৰেলিয়ান অ'পেন এৰিলে আধাতে

**মেলবৰ্ণ, ২৪ জানুৱাৰীঃ** কেৰিয়াৰৰ ২৫সংখ্যক গ্ৰেম স্লেম খিতাপ দখলৰ পৰা বিচ্যুত হ'ল টেনিছ তাৰকা ন'ভাক জ'কভিচ। অষ্ট্ৰেলিয়ান অ'পেন ২০২৫ৰ পৰা আঁতৰি আহিছে টেনিছ তাৰকাগৰাকী। শুকুৰবাৰে তেওঁ আলেকজেণ্ডাৰ ঝভেৰেভৰ বিৰুদ্ধে পুৰুষৰ একক ছেমি ফাইনেল মেচৰ মাজভাগত আঘাতৰ বাবে অৱসৰ গ্ৰহণ কৰে। প্ৰথম ছেটটো ৭-৬ গ'লত ঝভেৰেভে জয়লাভ কৰে, তাৰ পিছত জ'কভিচে নেটত সোমাই প্ৰতিপক্ষৰ সৈতে হাত মিলাই নিজৰ সিদ্ধান্ত ঘোষণা কৰে। কাৰ্লোছ আলকাৰাজৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত আঘাতৰ বাবে খেলপথাৰত প্ৰৱেশ কৰা জ'কভিচে প্ৰথম ছেটত বিশেষকৈ দীঘলীয়া ৰেলীৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল। ইফালে জ'কভিচৰ অৱসৰৰ পিছত ঝভেৰেভে মেলবৰ্ণত অনুষ্ঠিত হোৱা প্ৰথমখন ফাইনেলত স্থান নিশ্চিত কৰে। কাৰ্লোছ আলকাৰাজৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত চিকিৎসাৰ সুবিধা ল'বলগীয়া হোৱাৰ বাবে কৰ্টত নামি অহাৰ পূৰ্বে জ'কভিচে নিজৰ শাৰীৰিক অৱস্থাক লৈ চিন্তিত হৈ পৰিছিল। কিন্তু মেচ আৰম্ভ হোৱাৰ পিছতো তেওঁৰ গতি আৰু ডিফেন্সিভ ক্ষমতাই প্ৰমাণ কৰে যে তেওঁ সম্পূৰ্ণ ফিট। অৱশ্যে অৱশেষত আঘাতৰ বাবে মেচ এৰিবলগীয়া হয়। উল্লেখ্য যে, এই পৰাজয়ে জ'কভিচক কেৰিয়াৰৰ ১০০ সংখ্যক খিতাপৰ পৰাও বঞ্চিত কৰে। কেৱল ৰজাৰ ফেডাৰেৰে (১০২) এই মাইলৰ খুঁটি অৰ্জন কৰিছে। ইফালে, এতিয়া ফাইনেলত ঝভেৰেভে বিশ্বৰ এক নম্বৰ স্থানৰ জানিক চিনাৰ বা আমেৰিকাৰ ২১ নং ছিড বেন শ্বেলটনৰ বিজয়ীৰ সৈতে মুখামুখি হ'ব।



১৯ অনুৰ্ধ্ব মহিলা বিশ্বকাপত পাকিস্তানৰ মাহাম আনীছৰ দৃষ্টিনন্দন শ্বট



১৯ অনুৰ্ধ্ব মহিলা বিশ্বকাপত চামোৱাৰ বিৰুদ্ধে দুটাকৈ উইকেট দখলৰ পিছত উল্লাস পাকিস্তানৰ হানিয়া আহমেৰৰ

## আইচিচিৰ টেষ্ট দলত বুমৰাহ, জাডেজা, জয়ছোৱাল

# আইচিচিৰ এদিনীয়া দলত স্থান শূন্য হৈ ৰ'ল ভাৰতীয় ক্ৰিকেটাৰৰ

**ডুবাই, ২৪ জানুৱাৰীঃ** শুকুৰবাৰে আইচিচিয়ে প্ৰকাশ কৰিছে ২০২৪ বৰ্ষৰ ক্ৰিকেট দলৰ তালিকা। পুৰুষৰ টেষ্ট আৰু এদিনীয়া দলৰ উপৰিও মহিলাৰ এদিনীয়া দলো ঘোষণা কৰা হৈছে। উল্লেখ্য যে, আইচিচিয়ে ঘোষণা কৰা টেষ্ট দলত তিনিজন ভাৰতীয় ক্ৰিকেটাৰ অন্তৰ্ভুক্ত হৈছে। কিন্তু ইয়াৰ বিপৰীতে এদিনীয়া দলত স্থান লাভ কৰিবলৈ সক্ষম নহ'ল এজনো ভাৰতীয়ই। আনহাতে, মহিলাৰ এদিনীয়া দলত অন্তৰ্ভুক্ত কৰা হৈছে দুগৰাকী ভাৰতীয় ক্ৰিকেটাৰক। যশপ্ৰীত বুমৰাহ, যশস্বী জয়ছোৱাল আৰু ৰবীন্দ্ৰ জাডেজাই বছৰৰ টেষ্ট দলত স্থান লাভ কৰিছে। বছৰৰ আৰম্ভণিৰে পৰাই বুমৰাহ আৰু জয়ছোৱালৰ প্ৰদৰ্শনে অভিভূত কৰি আহিছে ক্ৰিকেট অনুৰাগীক। আইচিচিৰ টেষ্ট দলত জাডেজাক অল ৰাউণ্ডাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। দলটোৰ অধিনায়ক হিচাপে নিৰ্বাচিত হৈছে অষ্ট্ৰেলিয়াৰ পেট কামিন্স। দলটোত আছে ইংলেণ্ডৰ চাৰিজন ক্ৰিকেটাৰ জো ৰুট, হেৰী ব্ৰুক, বেন ডাকেট আৰু উইকেটকীপাৰ জেমী স্মিথ। দলটোত আছে নিউজিলেণ্ডৰ তাৰকা বেটছমেন কেন উইলিয়ামছন আৰু বলাৰ মেট হেনৰী। আনহাতে এই দলত শেহতীয়া প্ৰদৰ্শনৰ বাবে স্থান লাভ কৰিছে শ্ৰীলংকাৰ কামিন্দু মেণ্ডিছেও। অন্যহাতে, বছৰৰ এদিনীয়া দলত ভাৰতীয় ক্ৰিকেটাৰৰ অনুপস্থিতি বিশেষভাৱে লক্ষণীয়। ২০২৩ চনৰ বিশ্বকাপৰ পিছত ভাৰতে অতি কম সংখ্যক এদিনীয়া খেল খেলিছে, যিটো এই ফলাফলৰ কাৰণ হ'ব পাৰে। শ্ৰীলংকাৰ চাৰিজন ক্ৰিকেটাৰক দলত অন্তৰ্ভুক্ত কৰা হৈছে, আৰু দলটোৰ অধিনায়ক হিচাপে নিৰ্বাচিত হৈছে চৰিথ আছালংকা। পাকিস্তান আৰু আফগানিস্তানৰ তিনিজনকৈ ক্ৰিকেটাৰে এই দলত স্থান লাভ কৰিছে। তদুপৰি আফগানিস্তানৰ অ'পেনাৰ ৰহমানুল্লাহ গুৰবাজ আৰু ৱেষ্ট ইণ্ডিজৰ অ'পেনাৰ শ্বাৰফান ৰাদাৰফোৰ্ড দলত অন্তৰ্ভুক্ত কৰা হৈছে। মহিলা এদিনীয়া দলত স্থান লাভ কৰিছে স্মৃতি মান্ধনা আৰু দীপ্তি শৰ্মাই। দক্ষিণ আফ্ৰিকাৰ ল'ৰা উলভাৰ্ডক এই দলটোৰ অধিনায়ক নিৰ্বাচিত কৰা হৈছে। দলটোত আছে কেৰিবিয়ানৰ অলৰাউণ্ডাৰ হেলি মেথিউছ। আইচিচিৰ এই ঘোষণাৰ পিছতে ক্ৰিকেট জগতত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিশেষকৈ ভাৰতীয় পুৰুষৰ এদিনীয়া দলত অনুপস্থিতিত অনুৰাগীৰ মাজত হতাশাৰ সৃষ্টি হৈছে। অৱশ্যে মহিলা দলত ভাৰতৰ প্ৰতিনিধিত্বই কিছু পৰিমাণে সেই শূন্যতা পূৰণ কৰিছে।




newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি